# যৌন অপৰাধসমূহৰ পুলিচ পঞ্জীয়ন



## কাৰ্য্যপদ্ধতিসমূহৰ আৰু পুলিচক জবাবদিহি কৰাৰ এখন পথ-নিৰ্দেশিকা

CHRI

NEN

AALI

# কমনৱেলথ হিউমেন ৰাইটছ ইনিচিয়েটিভ

কমনৱেলথ হিউমেন ৰাইটছ ইনিচিয়েটিভ (CHRI) হ'ল নতুন দিল্লীত মুখ্য কাৰ্য্যালয় থকা এটা স্বাধীন, অনা-চৰকাৰী, লাভৰ-বাবে-কাম-নকৰা সংস্থা, যাৰ আৰু দুটা কাৰ্য্যালয় আছেগ্ৰেটব্ৰিটেনৰ লণ্ডনত আৰু ঘানাৰআক্ৰাত। 1987 চনৰেপৰা, ই কমনৱেলথ দেশসমূহত মানৱ অধিকাৰৰ ব্যৱহাৰিক লক্ষ্যপ্ৰাপ্তিৰ বাবে কাম কৰি আহিছেকৌশলগত পক্ষপোষণ আৰু কৰ্মব্যস্ততা আৰু লগতে এইবোৰ বিষয়ৰ কেউফালে সংশ্লিষ্ট পক্ষসমূহক একত্ৰিত কৰি। ন্যায়ত প্ৰৱেশাধিকাৰ (ATJ) আৰু তথ্যত প্ৰৱেশাধিকাৰ (ATI) এই দুই ক্ষেত্ৰত CHRI ৰ বিশেষজ্ঞতা সৰ্বজনবিদিত। ATJ কাৰ্য্যসূচীয়ে কেন্দ্ৰীয় গুৰুত্ব দিয়ে পুলিচ আৰু কাৰাগাৰ সংস্কাৰসমূহত, যাতে কৰ্তব্য সম্পাদনকাৰীসকলক জবাবদিহি কৰি স্বেচ্ছাচাৰিতা কম কৰিব পৰা যায় আৰু পাৰগম্যতা সুনিশ্চিত কৰিব পৰা যায়। ন্যায়িক প্ৰতিকাৰ, নাগৰিক সমাজৰ মিত্ৰজোঁট গঠন আৰু হিতধাৰকসকলৰ সৈতে একেলগে কৰা কাম সন্নিৱিষ্ট কৰি, CHRI এ নীতি বিষয়ক হস্তক্ষেপত ইয়াৰ দৃষ্টি নিবদ্ধ কৰে। ATI কাৰ্য্যসূচীয়ে বিভিন্ন ভৌগোলিক অঞ্চলত তথ্য জনাৰ অধিকাৰ (RTI) আৰু তথ্যৰ স্বাধীনতা সম্পৰ্কীয় আইনসমূহত দৃষ্টি নিক্ষেপ কৰে, বিশেষজ্ঞতা প্ৰাপ্ত পৰামৰ্শ প্ৰদান কৰে, প্ৰত্যাহ্বানমূলক বিষয়সমূহত তথা পাৰগম্যতা আইনসমূহৰ ব্যাপক ব্যৱহাৰত আলোকপাত কৰে আৰু সামৰ্থ্যৰ বিকাশ ঘটায়।CHRI এঅভিব্যক্তিৰ অধিকাৰ আৰু সংবাদ মাধ্যমৰ ওপৰত পৰা হেঁচাৰ পুনৰীক্ষণ কৰে আৰু আনহাতে সৰু সৰু ৰাষ্ট্ৰসমূহত কেন্দ্ৰীয় গুৰুত্ব প্ৰদান কৰি ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদ তথা কমনৱেলথ সচিবালয়ত যাতে নাগৰিক সমাজৰ কণ্ঠক যথাযথ গুৰুত্ব দিয়া হয় তাক সুনিশ্চিত কৰাৰ প্ৰয়াস কৰে। এটা নতুন কৰ্মক্ষেত্ৰ হৈছে বহনক্ষম বিকাশ লক্ষ্য (SDG) 8.7 যাৰ বাবে কমনৱেলথ 8.7 নেটৱৰ্কৰ জৰিয়তে দাসত্বৰ সাম্প্ৰতিক ৰূপসমূহ আৰু অবৈধ মানৱ সৰবৰাহ এই দুটা সমস্যাৰ মোকাবিলা কৰিবলৈ চলোৱা প্ৰচেষ্টাত পক্ষপোষণ, গৱেষণা আৰু একত্ৰীকৰণ গঢ়ি তোলা হৈছে।

CHRI এ ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ বিশিষ্ট পৰামৰ্শদাতাৰ মৰ্য্যাদা লাভ কৰিছে আৰু ই কমনৱেলথ সচিবালয়ৰপৰাআধিকাৰিক মান্যতা লাভ কৰিছে। ইয়াৰ বিশেষজ্ঞতাৰ বাবে চৰকাৰসমূহ, নিৰীক্ষণ নিকায়সমূহ তথা নাগৰিক সমাজৰদ্বাৰা স্বীকৃত, CHRI ক ভাৰতত এটা ছচাইটী হিচাপে, ঘানাত এটা ন্যাস হিচাপে, আৰু গ্ৰেট ব্ৰিটেনতএটা ৰাজহুৱা দাতব্য সংস্থা হিচাপে পঞ্জীভুক্ত কৰা হৈছে।

যদিওবা 53 খন ৰাষ্ট্ৰৰ সংস্থা কমনৱেলথে, ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহক কিছুমান সমভাগী উমৈহতীয়া আইনৰ ভিত্তি প্ৰদান কৰিছিল, তথাপিও সদস্য ৰাষ্ট্ৰসমূহত মানৱ অধিকাৰ সম্পৰ্কীয় বিষয়ত নিচেই কম গুৰুত্ব প্ৰদান কৰা হৈছিল। সেয়েহে, 1987 চনত ভালেকেইটা কমনৱেলথ পেছাদাৰী সংস্থাই CHRI প্ৰতিষ্ঠা কৰে।

ইয়াৰ গৱেষণা, প্ৰতিবেদন, পক্ষপোষণ, ব্যস্ততা, একত্ৰীকৰণ আৰু সময়ে সময়ে চলোৱা অনুসন্ধানসমূহৰদ্বাৰা CHRI এ মানৱ অধিকাৰৰ বিষয়বোৰত হোৱা অগ্ৰগতি তথা বিফলতাসমূহৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে। কমনৱেলথ সচিবালয়, ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ সদস্যসকল, সংবাদ মাধ্যম আৰু নাগৰিক সমাজক উদ্দেশ্য কৰি ইকৰ্মক্ষেত্ৰত আগবাঢ়ে। ই ৰাজহুৱা শিক্ষা কাৰ্য্যসূচী, নীতি বিষয়ক আলোচনা, তুলনাত্মক গৱেষণা, পক্ষপোষণ আৰু তথ্যত প্ৰৱেশাধিকাৰ তথা ন্যায়ত প্ৰৱেশাধিকাৰ এই দুটা বিষয়ৰ পাৰস্পৰিক সংযোগ আদি বিষয়বোৰক কেন্দ্ৰ কৰি সহযোগিতাৰ বাবে কাম কৰে।

CHRI এ মানৱ অধিকাৰ সম্পৰ্কীয় সাৰ্বজনীন ঘোষণা, কমনৱেলথৰ হাৰাৰে মূলনীতিসমূহ আৰু আন আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত মানৱ অধিকাৰ সম্পৰ্কীয় আনুষ্ঠানিক দস্তাৱেজৰ লগতে মানৱ অধিকাৰসমূহক সমৰ্থন কৰা আভ্যন্তৰীণ আনুষ্ঠানিক দস্তাৱেজসমূহৰ পৃষ্ঠপোষকতা কৰাৰ চেষ্টা কৰে।

**আন্তঃৰাষ্ট্ৰীয় পৰামৰ্শদাতা আয়োগ:** এলিছন ডক্সবেৰী, চেয়াৰমেন। সদস্যসকলঃ ৱজাহত হবিবুল্লাহ, জোৱেনা এৱাৰ্ট-জেমছ, এডৱাৰ্ড মৰ্টিমাৰ, ছেম অকুডজেটো আৰু সঞ্জয় হাজৰিকা।

**কাৰ্য্যবাহী সমিতি (ভাৰত):** ৱজাহত হবিবুল্লাহ, চেয়াৰমেন। সদস্যসকলঃ কিশোৰ ভাৰ্গৱ, বী. কে. চন্দ্ৰশেখৰ, জয়ন্ত চৌধুৰী, মাজা দাৰুৱালা, নিতিন দেশাই, কমল কুমাৰ, মদন বী. লকুৰ, পুনম মুটৰেজা, বিনীতা ৰায়, এ পী শ্বাহ, আৰু সঞ্জয় হাজৰিকা।

**কাৰ্য্যবাহী সমিতি (ঘানা):** ছেম অকুডজেটো, চেয়াৰমেন। সদস্যসকলঃ অক'ট' এমপ, কফি কোৱাম্বিগাহ, এমিলী শ্বৰ্ট, জুলিয়েট টুৱাকলি আৰু সঞ্জয় হাজৰিকা।

**কাৰ্য্যবাহী সমিতি (গ্ৰেটব্ৰিটেন):** জোৱেনা এৱাৰ্ট-জেমছ, চেয়াৰমেন। সদস্যসকলঃ অ'ৱেন টিউড'ৰ, প্ৰলব বৰুৱা, হান্না ৰেটক্লিফ, এম্মা কেৰ আৰু সঞ্জয় হাজৰিকা।

সঞ্জয় হাজৰিকা, আন্তঃৰাষ্ট্ৰীয় সঞ্চালক

©কমনৱেলথ হিউমেন ৰাইটছ ইনিচিয়েটিভ, 2020। এই প্ৰতিবেদনৰ পৰা লব্ধ সামগ্ৰী ব্যৱহাৰ কৰিব পৰা যায়, উৎসৰ কথা যথাযথভাৱে স্বীকাৰ কৰি।

**ISBN: 978-93-81241-95-0**

CHRI

**CHRI মুখ্য কাৰ্য্যালয়, নতুন দিল্লী**
55A, তৃতীয় মহলা
সিদ্ধাৰ্থ চেম্বাৰ্ছ
কালু চাৰাই, নতুন দিল্লী 110 017
ভাৰত
**টেলিফোন:** +91 11 4318 0200
**ফেক্স:** +91 11 4318 0217
info@humanrightsinitiative.org

**CHRI লণ্ডন**
ৰুম নম্বৰ 219
স্কুল অৱ এডভান্সড ষ্টাডি
ছাউথ ব্লক, ছিনেটহাউছ
মালেট ষ্ট্ৰীট, লণ্ডন WC1E 7HU
গ্ৰেট ব্ৰিটেন
london@humanrightsinitiative.org

**CHRI আফ্ৰিকা, আক্ৰা**
ড. ষ্টেনলি মাৰ্বেল প্লাজা
H/NO. 158/2 এছাইলাম ডাউন
আক্ৰা,
ঘানা
**টেলিফেন/ফেক্স:** +233 302 971170
chriafrica@humanrightsinitiative.org

www.humanrightsinitiative.org

# এছ'চিয়েচন ফৰ এডভ'কেচি এণ্ড লীগেল ইনিচিয়েটিভছ

এছ'চিয়েচন ফৰ এডভ'কেচি এণ্ড লীগেল ইনিচিয়েটিভছ (AALI) হ'ল মহিলা-নেতৃত্বাধীন আৰু মহিলা-চালিত এটা মানৱ অধিকাৰ সংস্থা আৰু ই প্ৰত্যক্ষ হস্তক্ষেপ, ক্ষমতা নিৰ্মাণ, গৱেষণা আৰু পক্ষপোষণৰ জৰিয়তে মহিলা, শিশু আৰু আন উপেক্ষিত সম্প্ৰদায়সমূহৰ মানৱ অধিকাৰৰ সুৰক্ষা আৰু বিকাশৰ ক্ষেত্ৰত দায়বদ্ধ। উত্তৰপ্ৰদেশ, ঝাৰখণ্ড, আৰু উত্তৰাখণ্ডত পোনপটীয়া ক্ষেত্ৰভিত্তিক উপস্থিতিসহিতে AALI এ সমগ্ৰ ভাৰতৰে বিভিন্ন মানৱ অধিকাৰ সংগঠন তথা গোটসমূহক কাৰিকৰী সাহায্য প্ৰদান কৰি আহিছে।

সকলো প্ৰকাৰৰ নাৰী নিৰ্য্যাতনৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘৰ চুক্তিনামাৰ (CEDAW) ভিত্তিত 1998 চনত স্থাপিত AALI এ "মহিলাসকলকো সম-অধিকাৰ থকা মানৱৰূপে স্বীকৃতি দিয়া, ভাৰতৰ সংবিধান তথা মানৱ অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহত নিশ্চয়তা প্ৰদান কৰা আৰু তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক, আৰু ৰাজনৈতিক অধিকাৰসমূহক উত্তৰণ আৰু সুৰক্ষা প্ৰদান কৰা" ৰ এক সমতাবাদী ব্যৱস্থাৰ পোষকতা কৰে।

নাৰীবাদী পৰিপ্ৰেক্ষ আৰু মানৱ অধিকাৰৰ দৃষ্টিভংগীত গঢ় লৈ উঠা AALI এ বিশ্বাস কৰে যে আইন হ'ল এক পৰিৱৰ্তন থলী আৰু একেসময়তে ই সামাজিক ন্যায় সুনিশ্চিত কৰাৰ এটা শক্তিশালী সঁজুলিও। সেয়ে ই পক্ষপোষণ, ন্যায়ত প্ৰৱেশাধিকাৰ আৰু ক্ষমতা নিৰ্মাণৰ এক বহুমাত্ৰিক কৌশলগত সংৰচনাৰ জৰিয়তে কাম কৰে।

AALI

407, ড. বেইজনাথ ৰোড,
নিউ হায়দৰাবাদ ক'ল'নী,
লক্ষ্ণৌ, উত্তৰপ্ৰদেশ - 226007
**টেলিফোন:** 0522-2782060
**ফেক্স:** 0522-2782066
aali@aalilegal.org
aalilegal

www.aalilegal.org

# যৌন অপৰাধসমূহৰ পুলিচ পঞ্জীয়ন

## কাৰ্য্যপদ্ধতিসমূহৰ আৰু পুলিচক জবাবদিহি কৰাৰ এখন পথ-নিৰ্দেশিকা

**গৱেষণা আৰু লেখনি:**
অদিতি দত্ত, অংকুৰ অট্টো, আৰু দেৰিকা প্ৰসাদ

**সম্পাদনা:**
সঞ্জয় হাজৰিকা আৰু শুভাংগী সিং

**অনুবাদ:**
দীপ শইকীয়া

**পুনৰীক্ষণ:**
কৰবী দত্ত

**অভিন্যাস আৰু অভিকল্পনা:**
অনুজা খ'খানি

# সংক্ষিপ্ত শব্দৰ তালিকা

| | |
|---|---|
| **IPC** | ভাৰতীয় দণ্ডবিধি |
| **আতিশয্য অধিনিয়ম** | অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (আতিশৰ্য্যপ্ৰতিৰোধ) অধিনিয়ম, 1989, যাৰ সংশোধন কৰা হৈছিল 2015 চনত |
| **POCSO** | যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম, 2012 |
| **SJPU** | কিশোৰৰ বাবে থকা বিশেষ পুলিচ ইউনিট |
| **NGO** | অনা-চৰকাৰী সেৱা সংস্থা |
| **FIR** | এজাহাৰ |
| **OSC** | একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰ |
| **UTs** | কেন্দ্ৰশাসিত ৰাজ্যক্ষেত্ৰসমূহ |
| **SC/ST** | অনুসূচীত জাতি বা অনুসূচীত জনজাতি |
| **CrPC** | ফৌজদাৰী কাৰ্য্যপদ্ধতি সংহিতা |
| **PFO** | পুলিচ সৰলীকৰণ বিষয়া |
| **SP** | পুলিচ অধীক্ষক |
| **DCP** | পুলিচ উপায়ুক্ত |

# সূচীপত্ৰ


**পৰিচিতি** 8

**ভাগ A**

**আমাৰ আইনসমূহত যৌন নিৰ্যাতন আৰু যৌন অপৰাধসমূহ**

1. যৌন নিৰ্যাতন কি? 10
2. বহল অৰ্থত যৌন নিৰ্যাতনৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? 10
3. যৌন নিৰ্যাতন অপৰাধ নেকি? 11
4. যৌন অপৰাধসমূহৰপৰা শিশুসকলক সুৰক্ষিত কৰিবলৈ বেলেগ আইন আছেনেকি? 16
5. IPC ৰ অধীনত যৌন অপৰাধসমূহৰ কোন ভুক্তভোগী আৰু কুকৰ্মকাৰী হ'ব পাৰে? 20
6. POCSO ৰ অধীনত যৌন অপৰাধসমূহৰ এগৰাকী ভুক্তভোগী কোন আৰু কুকৰ্মকাৰী কোন? 20
7. এটা যৌন অপৰাধ সংঘটিত হৈছে বুলি শুনাৰ লগে লগে পুলিচে কাৰ্য্যব্যৱস্থা ল'ব পাৰেনে? 20

**ভাগ B**

**যৌন অপৰাধসমূহৰ গোচৰ (REPORT) দাখিল কৰা**

8. পুলিচক কোনে যৌন অপৰাধৰ গোচৰ দিব পাৰে? 22
9. শিশুৰ বিৰুদ্ধে সংঘটিত যৌন অপৰাধৰ গোচৰ দাখিল কৰিবলৈ কিবা বেলেগ কাৰ্য্যপদ্ধতি আছে নেকি? 22
10. যৌন অপৰাধটো সংঘটিত হোৱাৰ ঠিক পাছতেই উত্তৰজীৱীয়ে গোচৰ দাখিল কৰিবলৈ সক্ষম নহলে কি হ'ব? 22
11. এটা অপৰাধৰ গোচৰ দাখিল কৰিবলৈ উত্তৰজীৱী কেনেকৈ পুলিচৰ কাষ চাপিব পাৰে? 23
12. যৌন অপৰাধৰ গোচৰ দাখিল কৰিবলৈ উত্তৰজীৱীয়ে যিকোনো পুলিচ থানাৰ কাষ চাপিব পাৰেনে? 25
13. গোচৰ দাখিল কৰিবলৈ পুলিচ থানালৈ যোৱাৰ সময়ত উত্তৰজীৱীয়ে লিখিত অভিযোগ লগত লৈ যাব লাগিব নেকি? 26
14. পুলিচক গোচৰ দাখিল কৰাৰ আগতে এগৰাকী উত্তৰজীৱী হস্পিটাললৈ যাব পাৰেনে? 27
15. একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰবোৰ (OSCS) কি আৰু সেইবোৰে উত্তৰজীৱীক কেনেকৈ সহায় কৰিব পাৰে? 27
16. গোচৰ দাখিল কৰাৰ সময়ত অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ উত্তৰজীৱীসকলে কোনবোৰ কথা মনত ৰখা উচিত? 28
17. যৌন অপৰাধৰ গোচৰ দাখিল কৰিবলৈ চেষ্টা কৰা মানসিকভাৱে বা শাৰীৰিকভাৱে (অস্থায়ীভাৱে বা স্থায়ীভাৱে) বিকলাংগ উত্তৰজীৱীসকলক সহায় কৰিবলৈ পুলিচে কিবা বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লাগে নেকি? 28

ভাগ C

**এজাহাৰ হিচাপে অভিযোগসমূহৰ পঞ্জীকৰণ**

18. এখন এজাহাৰ কি? 30
19. এটা অপৰাধৰ অভিযোগ পোৱাৰ পাছত পুলিচে এজাহাৰ পঞ্জীভুক্ত নকৰাকৈ থাকিব পাৰেনে? 30
20. যৌন অপৰাধসমূহৰ বাবে এখন এজাহাৰ পঞ্জীভুক্ত কৰাৰ আগতে পুলিচে এটা প্ৰাথমিক অনুসন্ধান সম্পন্ন কৰিব পাৰেনে? 31
21. এখন এজাহাৰত কি কি থকা উচিত? 31
22. এখন এজাহাৰ পঞ্জীভুক্ত কৰিবলৈ পুলিচে কি কি কাৰ্য্যপদ্ধতি অনুসৰণ কৰিব লাগে? 32
23. POCSO অধিনিয়ম আৰু নিয়মাৱলীৰ অধীনত এখন এজাহাৰ পঞ্জীভুক্ত কৰাৰ বাবে কিবা অতিৰিক্ত কাৰ্য্যপদ্ধতি অনুসৰণ কৰিব লাগে নেকি? 34
24. পঞ্জীয়নৰ সময়ত সমৰ্থনকাৰী ব্যক্তিসকলৰপৰা সহায় লোৱাৰ এটা অধিকাৰ উত্তৰজীৱীসকলৰ আছেনে? 35
25. পঞ্জীয়নৰ সময়ত এগৰাকী অধিবক্তা লোৱাৰ এটা অধিকাৰ উত্তৰজীৱীসকলৰ আছেনে? 36
26. এটা ভুল অভিযোগ বুলি কৈ পুলিচে আপোনাৰ অভিযোগ অগ্ৰাহ্য কৰিব পাৰেনে? 36
27. এটা অভিযোগ প্ৰত্যাহাৰ কৰিবলৈ পুলিচে এগৰাকী উত্তৰজীৱীক ক'ব পাৰেনে? 37
28. এটা অভিযোগৰ কিবা সত্য সলনি কৰিবলৈ পুলিচে এগৰাকী উত্তৰজীৱীক বাধ্য কৰিব পাৰেনে? 37
29. পুলিচে আপোনাক পুলিচ ষ্টেছনত অপেক্ষা কৰিবলৈ বাধ্য কৰিব পাৰেনে? 37
30. আপুনি এখন উকা কাগজত কেতিয়াবা চহী কৰা উচিতনে যেতিয়া পুলিচে আপোনাক এনে কৰিবলৈ কয়? 38

ভাগ D

**পঞ্জীয়ন নকৰাৰ প্ৰতিকাৰসমূহ**

31. পুলিচ ষ্টেছনত পুলিচে এজাহাৰখন পঞ্জীয়ন নকৰিলে আপুনি কি কৰিব পাৰে? 40
32. আন কোনো প্ৰাধিকৰণৰ ওচৰত আপুনি অভিযোগ কৰিব পাৰেনে? 41
33. জিলা পুলিচ অধীক্ষক (SP )আৰু দণ্ডাধীশৰ ওচৰত দাখিল কৰা অভিযোগত কি কি কথা সন্নিৱিষ্ট কৰাটো আৱশ্যকীয়? 41
34. জিলা পুলিচ অধীক্ষকে (SP) / পুলিচ উপায়ুক্তই (DCP) এখন এজাহাৰ পঞ্জীভুক্ত কৰাৰ পৰিৱৰ্তে অনুসন্ধানৰ আদেশ দিব পাৰেনে? 42
35. জিলা পুলিচ অধীক্ষক (SP) / পুলিচ উপায়ুক্ত (DCP) লৈ আপুনি কেনেকৈ এটা অভিযোগ প্ৰেৰণ কৰিব? 42
36. আপুনি কেনেকৈ ক্ষেত্ৰ দণ্ডাধীশৰ কাষ চাপিব? 42
37. পুলিচে তেওঁৰ নিৰ্দেশ অনুসাৰে কাম নকৰিলে এগৰাকী দণ্ডাধীশে কি কৰিব পাৰে? 42

ভাগ E

**পঞ্জীয়ন নকৰাৰ বাবে পুলিচক জবাবদিহি কৰা**

38. এখন এজাহাৰ হিচাপে আপোনাৰ অভিযোগ পঞ্জীয়ন কৰিবলৈ ব্যৰ্থ হোৱা পুলিচৰ বিৰুদ্ধে আপুনি কাৰ্য্যব্যৱস্থা ল'ব পাৰেনে? 44
39. ভাৰতীয় দণ্ডবিধিৰ (IPC) ধাৰা ১৬৬ (গ) এ কি কয়? 44
40. POCSO অধিনিয়মৰ ধাৰা ২১ (১) এ কি কয়? 45
41. আতিশৰ্য্য অধিনিয়মৰ ধাৰা 4 এ কি কয়? 46
42. এগৰাকী পুলিচ বিষয়াৰ বিৰুদ্ধে এটা ফৌজদাৰী অভিযোগ দাখিল কৰিবলৈ আপুনি কি কি পদক্ষেপ ল'ব পাৰে? 46
43. পুলিচ বিষয়াসকলৰ বিৰুদ্ধে এটা ফৌজদাৰী অভিযোগ দাখিল কৰাত বিপদৰ আশংকা আছে নেকি? 47

**পৰিশিষ্ট** 50

# পৰিচিতি

যৌন নিৰ্যাতনৰ উত্তৰজীৱীসকলক আৰু তেওঁলোকক সহায় কৰা যিকোনো লোকক ন্যায়িক প্ৰক্ৰিয়াৰ প্ৰথম স্তৰত পুলিচৰ ওচৰত সেই অপৰাধসমূহৰ ৰিপ'ৰ্ট কৰা আৰু পুলিচৰ দ্বাৰা সেইবোৰৰ পঞ্জীয়ন কৰাবলৈ চেষ্টা কৰাৰ সময়ত সহায় কৰিবলৈ এই পথ-নিৰ্দেশিকাখন প্ৰস্তুত কৰা হৈছে। বিভিন্ন অধ্যয়ন তথা বাস্তৱ অভিজ্ঞতাৰ পৰা দেখা যায় যে উত্তৰজীৱীসকলে অভিঘাত, আতংক, বা নৈতিক চৰিত্ৰ হনন কৰিবলৈ আনে কৰা চেষ্টাৰ চিকাৰ হোৱাৰ ভয়ত পুলিচৰ কাষ চাপিবলৈ দ্বিধাবোধ কৰে আৰু পুলিচে প্ৰায়েই যৌন নিৰ্যাতনৰ অভিযোগ পঞ্জীয়ন কৰিবলৈ বিলম্ব ঘটাই বা অস্বীকাৰ কৰি এই পৰিস্থিতি আৰু বেছি বেয়াৰ ফাললৈ নিয়ে। যৌন নিৰ্যাতনৰ বিষয়ে লাভ কৰা আটাইবোৰ গোচৰ পঞ্জীয়ন কৰাটো আইনে পুলিচৰ বাবে বাধ্যতামূলক কৰিছে। এনে কৰিবলৈ অস্বীকাৰ কৰাৰ জৰিয়তে পুলিচে ন্যায় বিচাৰিবলৈ থকা উত্তৰজীৱীৰ অধিকাৰ, আইন আৰু তেওঁলোকৰ কৰ্তব্য উলংঘন কৰে।ইয়াৰ পৰিণতিত গোচৰবোৰত আপোচ কৰিবলগীয়া হয়, গুৰুতৰ বিলম্ব ঘটে, বা ন্যায়িক প্ৰক্ৰিয়াৰ একেবাৰে আৰম্ভণিতে পৰাজয় স্বীকাৰ কৰিবলগীয়া হয়।

"ঘনাই সোধা প্ৰশ্নাৱলীৰ"ৰূপত নিবেদন কৰা এইখন পথ-নিৰ্দেশিকাই প্ৰাপ্তবয়স্ক আৰু শিশু উত্তৰজীৱীসকলক অভিযোগ ৰিপ'ৰ্ট কৰাত সহায় কৰিবলৈ প্ৰয়োজনীয় তথ্য প্ৰদান কৰিব আৰু পঞ্জীয়ন প্ৰক্ৰিয়াৰ সময়ত তেওঁলোকক পথ দেখুৱাব। পুলিচ থানাত প্ৰথমে তেওঁলোকৰ অভিযোগসমূহ অস্বীকাৰ কৰিলে সেইবোৰ পঞ্জীভুক্ত কৰাবলৈ থকা প্ৰতিকাৰসমূহৰ বিষয়ে ইয়াত উল্লেখ কৰা হৈছে। কিছুমান গোচৰত অভিযোগ পঞ্জীয়ন কৰিবলৈ বিলম্ব ঘটোৱা বা অস্বীকাৰ কৰাৰ বাবে পুলিচক জবাবদিহি কৰিবলৈ ল'ব পৰা পদক্ষেপসমূহৰ বিষয়েও ইয়াত আঙুলিয়াই দিয়া হৈছে। লগতে সংশ্লিষ্ট আইনসমূহৰ অধীনত যৌন নিৰ্যাতন বুলি সংজ্ঞাবদ্ধ কৰি থোৱা অপৰাধসমূহৰ ওপৰতো ই আলোকপাত কৰিছে।

কোনো পুলিচ বিষয়াই যাতে অনুচিত ক্ষমতা প্ৰয়োগ কৰিব নোৱাৰে আৰু তেনে কৰিলেও যাতে তেওঁ সাৰি যাব নোৱাৰে তাৰ বাবে উত্তৰজীৱীসকল আৰু তেওঁলোকক সহায় কৰিবলৈ আগবাঢ়ি অহা লোকসকলে তেওঁলোকৰ অধিকাৰসমূহৰ লগতে ন্যায়িক প্ৰক্ৰিয়াটোৰ কথা জানিবই লাগিব। নিজে ভালকৈ জানিলেহে ভুল আৰু অবৈধ কাৰ্য্যৰ বিৰুদ্ধে আমি প্ৰত্যয়েৰে প্ৰতিবাদ কৰিব পাৰো। উত্তৰজীৱীসকল আৰু তেওঁলোকক সহায় কৰিবলৈ আগবাঢ়ি অহা লোকসকলে সঠিক কাৰ্য্যপদ্ধতি তথা নিজৰ অধিকাৰ সম্পৰ্কে জ্ঞান লাভ কৰি নিজকে সবল কৰি তুলিব আৰু ন্যায় তথা নিজা অধিকাৰসমূহৰ সুৰক্ষা লাভৰ বাবে ব্যৱহাৰ কৰিব বুলি আশা কৰিয়েই এই পথ-নিৰ্দেশিকাখন প্ৰস্তুত কৰা হৈছে।

ভাগ A

# আমাৰ আইনসমূহত যৌন নিৰ্যাতন আৰু যৌন অপৰাধসমূহ

## 1. যৌন নিৰ্যাতন[1] কি?

যৌন নিৰ্যাতন হৈছে মানৱ অধিকাৰৰ এক গুৰুতৰ উলঙ্ঘন। ই নানা প্ৰকাৰৰ হ'ব পাৰে। যৌন নিৰ্যাতনৰ অৰ্থ হৈছে কোনোবাই বলপূৰ্বকভাৱে, চালাকী কৰি বা অপকাৰ কৰি আন কাৰোবাক তেওঁৰ ইচ্ছাকৃত সহমত আৰু অৱগত সন্মতি অবিহনে অবাঞ্চনীয় যৌন কাৰ্য্যকলাপত প্ৰবৃত্ত হ'বলৈ বাধ্য কৰোৱা। সকলো লিংগ আৰু বয়সৰ লোক যৌন নিৰ্যাতনৰ দ্বাৰা প্ৰভাৱান্বিত হ'ব পাৰে।

যৌন উৎপীড়ন চলোৱা ব্যক্তিসকল বন্ধু, পৰিয়ালৰ সদস্য, প্ৰণয়ৰ সম্পৰ্ক থকা সহযোগী, কামৰ সহকৰ্মী, আন বিশ্বাসী ব্যক্তি, ভুক্তভোগীৰ ওপৰত কৰ্তৃত্বৰ আসনত থকা কোনো ব্যক্তি, বা অচিনাকি ব্যক্তি হ'ব পাৰে। ভুক্তভোগীক কোনো যৌন কাৰ্য্যকলাপত প্ৰবৃত্ত হোৱাৰ বাবে বাধ্য কৰিবলৈ উৎপীড়নকাৰীসকলে ভুক্তভোগী অথবা তেওঁলোকৰ পৰিয়ালৰ ক্ষতিসাধন কৰাৰ, বা তেওঁলোকৰ সুখ্যাতিত আঘাত হনাৰ, বা ভুক্তভোগীক বিব্ৰত কৰিবলৈ আনক এই বিষয়ে কোৱাৰ বা ভুক্তভোগী বিপদত পৰিব পাৰে বুলি নানা ধৰণৰ ভাবুকি দিব পাৰে। এগৰাকী ভুক্তভোগী/উত্তৰজীৱীক দুই বা ততোধিক উৎপীড়নকাৰীয়ে একেলগে যৌনভাৱে আঘাত কৰিবও পাৰে।

> **বিশ্ব স্বাস্থ্য সংস্থাই ইয়াৰ সংজ্ঞা এনেদৰে দিছে " বলপ্ৰয়োগ কৰি, অপকাৰ কৰি বা শাৰীৰিক বলপ্ৰয়োগৰ ভাবুকি দি ভুক্তভোগীৰ সৈতে থকা সম্পৰ্ক নিৰ্বিশেষে যিকোনা ব্যক্তিয়ে ঘৰ আৰু আৰু কৰ্মস্থলীকে ধৰি যিকোনো স্থানতে কৰা যিকোনো যৌন কাৰ্য্য, কোনো যৌন কাৰ্য্য কৰিবলৈ কৰা চেষ্টা, অবাঞ্চনীয় যৌন মন্তব্য বা আগ্ৰাসন অথবা কোনো ব্যক্তিৰ যৌনতাৰ অবৈধ বেহা কৰিবলৈ কৰা কাম"[2]।**

যিকোনো পৰিৱেশতে যৌন নিৰ্যাতন সংঘটিত হ'ব পাৰে। ই পৰিয়ালৰ ভিতৰত ঘৰতে, বৈবাহিক জীৱনত বা অন্তৰংগ সম্পৰ্কত,এগৰাকী ব্যক্তিয়ে বাস কৰা সমাজত, কোনা কৰ্মস্থান বা স্কুলত, বাটে-পথে বা ৰাজহুৱা স্থানত সংঘটিত হ'ব পাৰে। যুদ্ধ বা সংঘৰ্ষৰ কালতো ই প্ৰায়েই সংঘটিত হয়। যেতিয়াই বা য'তেই সংঘটিত নহওক কিয়, ই ভুক্তভোগী/উত্তৰজীৱীৰ বাবে মানসিক, শাৰীৰিক আৰু আৱেগিকভাৱে এক ক্ষতিকাৰক আৰু বেদনাদায়ক অভিজ্ঞতা।

**যৌন নিৰ্যাতন কেতিয়াও ভুক্তভোগী/উত্তৰজীৱীৰ ত্ৰুটী নহয়**

## 2. বহল অৰ্থত যৌন নিৰ্যাতনৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

যৌন নিৰ্যাতন বুলিলে অন্তৰ্ভেদী আৰু অনা-অন্তৰ্ভেদী দুয়ো ধৰণৰ যৌন আক্ৰমণ হ'ব পাৰে। এজন উৎপীড়নকাৰীয়ে ভুক্তভোগীৰ ইচ্ছাৰ বিৰুদ্ধে গৈ তেওঁৰ যোনিপথ বা পায়ু, মুখ বা দেহৰ যিকোনো অংশত নিজৰ দেহৰ যিকোনো অংশ,

যৌনাংগ, বা কোনো সামগ্ৰীৰে আনকি সামান্যভাৱে হ'লেও, অন্তৰ্ভেদ কৰিবলৈ বল প্ৰয়োগ কৰিলে তাক অন্তৰ্ভেদী যৌন আক্ৰমণ বুলি কোৱা হ'ব।

**ধৰ্ষণ** শব্দটো প্ৰায়েই এটা আইনী শব্দ হিচাপে ব্যৱহাৰ কৰা হয় যিটো শব্দৰদ্বাৰা অন্তৰ্ভেদী যৌন আক্ৰমণক এটা অপৰাধ বুলি কোৱা হয়।

অনা-অন্তৰ্ভেদী যৌন আক্ৰমণ এনেবোৰ ৰূপৰ হ'ব পাৰে:

- অবাঞ্চনীয় যৌন মিলন বা সংস্পৰ্শ
- এজনে নিজৰ যৌনাংগসমূহ বা উলংগ দেহ আন কাৰোবাক তেওঁলোকৰ সন্মতি নোহোৱাকৈ দেখুওৱা
- ৰাজহুৱাভাৱে হস্তমৈথুন কৰা
- কাৰোবাক বলপূৰ্বক কাপোৰ খুলিবলৈ বাধ্য কৰোৱা
- হয় শাৰীৰিকভাৱে বা আভাসীভাৱে, এটা অবাঞ্চনীয় আৰু অনভিপ্ৰেত সংস্পৰ্শ সম্ভৱ হোৱাৰ চেষ্টাৰে কাৰোবাৰ গতিবিধি নিৰীক্ষণ কৰি থকা বা তেওঁলোকক অনুসৰণ কৰি থকা
- কোনো গোপনীয় ব্যক্তিগত কামত ব্যস্ত কোনোবা লোকক তেওঁ নজনাকৈ বা তেওঁৰ অনুমতি নোহোৱাকৈ চাই থকা বা ফটো/ভিডিঅ' লোৱা
- কাৰোবাৰপৰা অবাঞ্চনীয় যৌন অনুগ্ৰহ বিচৰা বা তেওঁৰ বিষয়ে অবাঞ্চনীয় যৌন মন্তব্য কৰা

## 3. যৌন নিৰ্যাতন অপৰাধ নেকি?

> **হয়, কেইবাটাও ৰূপৰ যৌন হিংসা ভাৰতত অপৰাধ বুলি গণ্য কৰা হয়। ইয়াৰ অৰ্থ হ'ল এজন কুকৰ্মকাৰীক ইয়াৰে কোনোবাটো অপৰাধত এখন আদালতে দোষী সাব্যস্ত কৰিলে, তেনে ব্যক্তিক শাস্তি দিব আৰু কাৰাগাৰলৈ প্ৰেৰণ কৰিব পৰা যায়।**

ভাৰতীয় দণ্ডবিধিয়ে (IPC) যৌন নিৰ্যাতনৰ ভালেমান কাৰ্যক অপৰাধ বুলি সংজ্ঞাবদ্ধ কৰিছে, এনে প্ৰতিটো অপৰাধৰ একোটা নাম দিছে, অপৰাধ বুলি গণ্য কৰা কামবোৰৰ বৰ্ণনা দিছে আৰু তেনে অপৰাধৰ বাবে শাস্তিৰ বিধান দিছে।

মনত ৰাখিব যে ইচ্ছাকৃতভাৱে সন্মতি দিয়া দুগৰাকী প্ৰাপ্তবয়স্কৰ মাজত সংঘটিত যৌন কাৰ্য্যকলাপ কেতিয়াও এটা অপৰাধ নহয়।

2013 চনৰ আগতে ভাৰতীয় দণ্ডবিধিত মাত্ৰ দুটা যৌন অপৰাধ আছিল। ধাৰা 376 ত এটা সীমাবদ্ধ সংজ্ঞাৰ ধৰ্ষণৰ বাবে শাস্তিৰ ব্যৱস্থা আছিল আৰু ধাৰা 354 ত "এগৰাকী মহিলাৰ শালীনতা অৱমাননা কৰাৰ" বাবে শাস্তিৰ ব্যৱস্থা আছিল। অবাঞ্চনীয় যৌন সংস্পৰ্শ বা যৌন আগ্ৰাসনৰ ঘটনাবোৰ সামৰি লোৱা শ্লীলতাহানিৰ নিয়মীয়া ঘটনাবোৰত ইয়াৰ প্ৰয়োগ হৈছিল। 2013 চন পৰ্যন্ত নানা প্ৰকাৰৰ যৌন নিৰ্যাতন এই আইনৰপৰা সম্পূৰ্ণৰূপে বাহিৰত আছিল, অৰ্থাৎ উত্তৰজীৱীসকলে পুলিচক তেওঁলোকৰ ওপৰত চলা যৌন উৎপীড়নৰ গোচৰ দিব পৰা নাছিল।

2013 চনত অধিকতৰ যৌন অপৰাধৰ সংজ্ঞা অন্তৰ্ভুক্ত কৰি এই আইনৰ সংশোধন ঘটোৱা হৈছিল। 2013 চনৰ সংশোধিত আইনে ধৰ্ষণৰ সংজ্ঞা সম্প্ৰসাৰিত কৰি আন আন যৌন অপৰাধ ইয়াৰ গণ্ডীলৈ আনিছিল আৰু তেনে আনবোৰ যৌন অপৰাধৰ ভিতৰত যৌন আতিশয্য, বলপূৰ্বকভাৱে বিবস্ত্ৰ কৰা, দৰ্শনৰতি বা যৌন কাৰ্য্যত প্ৰবৃত্ত আনক দেখি যৌন সুখ লাভ কৰাৰ প্ৰৱণতা আৰু অসৎ অভিপ্ৰায়েৰে সন্তৰ্পণে কাৰোবাক অনুসৰণ কৰাটো সন্নিৱিষ্ট হৈছিল।

তলৰ তালিকাখনত 2013 চনত ভাৰতীয় দণ্ডবিধিত সংজ্ঞাবদ্ধ আৰু সংযোজিত কৰা যৌন অপৰাধসমূহৰ সম্পূৰ্ণ পৰিসৰ আৰু সেইবোৰৰ বাবে বিধান দিয়া শাস্তিৰ কথা নিৰ্দ্দিষ্ট কৰি দিয়া হৈছে।

**ভাৰতীয় দণ্ডবিধিত সন্নিৱিষ্ট অপৰাধসমূহ আৰু তাৰ শাস্তি**

| ধাৰা (IPC) | অপৰাধ | শাস্তি | |
|---|---|---|---|
| | | সৰ্বাধিক | ন্যূনতম |
| 354 | এগৰাকী মহিলাৰ শালীনতা অৱমাননা কৰাৰ অভিপ্ৰায়েৰে তেওঁৰ ওপৰত কৰা আক্ৰমণ বা অপৰাধমূলক বলপ্ৰয়োগ | 5 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 1 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| 354A | অনভিপ্ৰেত শাৰীৰিক সংস্পৰ্শ আৰু আগ্ৰাসন বা যৌন অনুগ্ৰহৰ বাবে কৰা দাবী, অশ্লীল সাহিত্য দেখুওৱাৰ ৰূপত কৰা যৌন আতিশৰ্য্য | 3 বছৰৰ কাৰাদণ্ড বা জৰিমনা বা দুয়োটাই | |
| | যৌন ইংগিত থকা মন্তব্যৰ ৰূপত কৰা যৌন আতিশৰ্য্য | 1 বছৰৰ কাৰাদণ্ড বা জৰিমনা বা দুয়োটাই | |
| 354B | বিবস্ত্ৰ কৰাৰ অভিপ্ৰায়েৰে এগৰাকী মহিলাৰ ওপৰত কৰা আক্ৰমণ বা অপৰাধমূলক বলপ্ৰয়োগ | 7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 3 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| 354C | দৰ্শনৰতি<br><br>ব্যক্তিগত গোপনীয় কামত প্ৰবৃত্ত এগৰাকী মহিলাই নজনাকৈ তেওঁৰ ফটো লয়, বা এনে ধৰণৰ ফটোৰ প্ৰসাৰণ ঘটোৱা যিকোনো পুৰুষ | 3 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 1 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| | | পৰৱৰ্তী দোষীসাব্যস্তকৰণ | |
| | | 7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 3 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |

| | | | |
|---|---|---|---|
| **354D** | অসৎ অভিপ্ৰায়েৰে সন্তৰ্পণে অনুসৰণ কৰা<br><br>যিকোনো পুৰুষ যি এগৰাকী মহিলাই স্পষ্টভাৱে তেওঁৰ আগ্ৰহ নথকাৰ ইংগিত দিয়াৰ পাছতো বাৰে বাৰে মহিলাগৰাকীক অনুসৰণ কৰে বা যোগাযোগ কৰিবলৈ চেষ্টা কৰে (এই আইনত কিছুমান ব্যতিক্ৰমৰ কথাও নিৰ্দ্দিষ্ট কৰি দিয়া হৈছে যিবোৰক এই ধৰণৰ অসৎ অভিপ্ৰায়েৰে কৰা অনুসৰণৰ শ্ৰেণীত থ'ব নোৱাৰি, যিটো কথা প্ৰথমতে প্ৰমাণ কৰিব লাগিব) | 3 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা<br><br>পৰৱৰ্তী দোষীসাব্যস্তকৰণ<br><br>5 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | |
| **370A** | অবৈধভাৱে সৰবৰাহ কৰা এটি শিশুৰ শোষণ | 7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| | অবৈধভাৱে সৰবৰাহ কৰা এগৰাকী ব্যক্তিৰ শোষণ | 5 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 3 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| **375** | ধৰ্ষণ<br><br>নিৰ্দ্দিষ্ট কিছুমান পৰিস্থিতিত নাৰীগৰাকীৰ সন্মতি সহকাৰে বা সন্মতি অবিহনে যেতিয়া এগৰাকী নাৰীৰ যোনিপথ, মুখ, মূত্ৰপথ বা পায়ুত এজন পুৰুষে তেওঁৰ লিংগ, শৰীৰৰ কোনো অংশ বা কোনো সামগ্ৰী যিকোনো ব্যাপ্তিলৈকে অন্তৰ্ভেদ কৰে বা নাৰীগৰাকীক আন কাৰোবাৰ সৈতে এনে কৰিবলৈ বাধ্য কৰায়; | যাৱজ্জীৱন কাৰাদণ্ড | 7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| **376** | কোনো পুলিচ বিষয়া; বা জনসেৱক; বা কাৰাগাৰ, কিশোৰ সংস্কাৰ গৃহ বা জিম্মাৰ আন কোনো স্থান বা মহিলাসকলৰ বা শিশুসকলৰ কোনো সংগঠনৰ ব্যৱস্থাপনাত থকা বা কৰ্মচাৰী হিচাপে থকা কোনো ব্যক্তিয়ে; বা কোনো হস্পিটেলৰ ব্যৱস্থাপনাত থকা বা কৰ্মচাৰী হিচাপে থকা কোনো ব্যক্তিয়ে; বা কোনো আত্মীয়, অভিভাৱক, শিক্ষক বা মহিলাগৰাকীৰ বিশ্বাসৰ বা তেওঁৰ ওপৰত কৰ্তৃত্বশীল এটা অৱস্থানত থকা কোনো ব্যক্তিয়ে কৰা ধৰ্ষণ; বা সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত কৰা ধৰ্ষণ; বা জানি-শুনি এগৰাকী গৰ্ভৱতী মহিলাক; 16 বছৰৰ অনুৰ্ধৰ এগৰাকী নাৰীক; সন্মতি | যাৱজ্জীৱন কাৰাদণ্ড (সেইজন ব্যক্তিৰ প্ৰাকৃতিক জীৱনকালৰ অৱশিষ্ট কালছোৱা) | 10 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |

| | | | |
|---|---|---|---|
| | দিবলৈ অক্ষম এগৰাকী নাৰীক; শাৰীৰিক বা মানসিক বিকলাংগতাত ভুগি থকা এগৰাকী মহিলাক ধৰ্ষণ কৰি ভুক্তভোগীক গুৰুতৰ আঘাত দিয়া, পঙ্গু কৰি দিয়া বা মহিলাগৰাকীৰ জীৱন বিপদাপন্ন কৰা; বা একেগৰাকী মহিলাকে উপৰ্য্যুপৰি ধৰ্ষণ কৰা | | |
| **376A** | ধৰ্ষণ যি প্ৰদান কৰা আঘাত মৃত্যুৰ কাৰণ হয় বা মহিলাগৰাকীৰ দীৰ্ঘস্থায়ী নিষ্ক্ৰিয় অৱস্থাৰ কাৰণ হয় | যাৱজ্জীৱন কাৰাদণ্ড ( ব্যক্তিজনৰ প্ৰাকৃতিক জীৱনকালৰ অৱশিষ্ট কালছোৱা) বা মৃত্যুদণ্ড | 20 বছৰৰ কাৰাদণ্ড |
| **376B** | বিচ্ছেদৰ কালছোৱাত স্বামীয়ে, পত্নীৰ সন্মতি অবিহনে, পত্নীৰ সৈতে কৰা যৌন সংগম | 7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 2 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| **376C** | কৰ্তৃত্বশীল অৱস্থানত থকা এজন ব্যক্তিয়ে কৰা যৌন সংগম | 10 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 5 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| **376D** | দলবদ্ধ ধৰ্ষণ<br><br>উমৈহতীয়া অভিপ্ৰায়েৰে এক বা একাধিক ব্যক্তিয়ে দল বান্ধি এগৰাকী মহিলাক কৰা ধৰ্ষণ | যাৱজ্জীৱন কাৰাদণ্ড (ব্যক্তিজনৰ প্ৰাকৃতিক জীৱনকালৰ অৱশিষ্ট কালছোৱা) আৰু উত্তৰজীৱীক আদায় দিবলগীয়া জৰিমনা | 20 বছৰৰ কাৰাদণ্ড আৰু উত্তৰজীৱীক আদায় দিবলগীয়া জৰিমনা |
| **376E** | একাধিকবাৰ অপৰাধ কৰা অপৰাধী (376, 376 A, 376Dধাৰাৰ অধীনত) | যাৱজ্জীৱন কাৰাদণ্ড (ব্যক্তিজনৰ প্ৰাকৃতিক জীৱনকালৰ অৱশিষ্ট কালছোৱা) বা মৃত্যুদণ্ড | |
| **509** | এগৰাকী মহিলাৰ শালীনতা হানি কৰাৰ অভিপ্ৰায়েৰে ব্যৱহাৰ কৰা শব্দ, ইংগিত বা কাৰ্য্য | 3 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | |

ভাৰতৰ আন আইনসমূহেও বিভিন্ন ৰূপৰ যৌন নিৰ্য্যাতনৰ সন্মুখীন হোৱা ভুক্তভোগী/উত্তৰজীৱীসকলক সুৰক্ষা প্ৰদান কৰে আৰু তেওঁলোকক প্ৰতিকাৰ ব্যৱস্থাৰ দিহা দিয়ে। এনে আইনসমূহ হৈছে পাৰিবাৰিক নিৰ্য্যাতনৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, 2005, কৰ্মস্থানত মহিলাৰ যৌন আতিশয্য (প্ৰতিৰোধ, নিষিদ্ধকৰণ আৰু নিষ্পত্তি) অধিনিয়ম, 2013 তথা ভুক্তভোগী ক্ষতিপূৰণ যোজনা দৰে বিভিন্ন যোজনাসমূহ।

অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (আতিশয্য প্ৰতিৰোধ) অধিনিয়ম, 1989 (আতিশয্য অধিনিয়ম)ৰ অধীনত যৌন অপৰাধসমূহকো অপৰাধ বা “আতিশয্য” বুলি ধৰা হয়।

## অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (আতিশয্য প্ৰতিৰোধ) অধিনিয়মৰ অধীনত মহিলাৰ বিৰুদ্ধে নিৰ্দ্দিষ্ট অপৰাধসমূহ আৰু তাৰ শাস্তি

| ধাৰা (IPC) | অপৰাধ | শাস্তি | |
|---|---|---|---|
| | | সৰ্বাধিক | ন্যূনতম |
| 3(1)(k) | কোনো ধৰ্মীয় অনুষ্ঠানত এগৰাকী অনুসূচীত জাতিৰ মহিলাক বা এগৰাকী অনুসূচীত জনজাতিৰ মহিলাক উচৰ্গা কৰি দেৱদাসী প্ৰথা সম্পন্ন কৰা আৰু তাত উৎসাহ যোগোৱা | 5 বছৰৰ কাৰাদণ্ড | 6 মাহৰ কাৰাদণ্ড |
| 3(1)(w [i]) | জানি-শুনি এগৰাকী অনুসূচীত জাতিৰ মহিলাক বা এগৰাকী অনুসূচীত জনজাতিৰ মহিলাক তেওঁৰ সন্মতি অবিহনে স্পৰ্শ কৰা | 5 বছৰৰ কাৰাদণ্ড | 6 মাহৰ কাৰাদণ্ড |
| 3(1)(w [ii]) | অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ কোনো মহিলাক লক্ষ্য কৰি যৌনগন্ধী শব্দ বা ইংগিত ব্যৱহাৰ কৰা | 5 বছৰৰ কাৰাদণ্ড | 6 মাহৰ কাৰাদণ্ড |

টোকাঃ আতিশয্য অধিনিয়ম অনুসৰি, এজন ব্যক্তিক ভাৰতীয় দণ্ডবিধিৰ অধীনতো শাস্তি প্ৰদান কৰিব পৰা যায়। অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ কোনো ব্যক্তিৰ সদস্যৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ ক্ষেত্ৰত আতিশয্য অধিনিয়মে ভাৰতীয় দণ্ডবিধিত দহ বছৰ বা ততোধিক কাৰাদণ্ডৰ ব্যৱস্থা থকা অপৰাধবোৰৰ শাস্তি বৃদ্ধি কৰি যাৱজ্জীৱন কাৰদণ্ড কৰিছে। অৱশ্যে আতিশয্য অধিনিয়মৰ  অনুসূচীত তালিকাবদ্ধ কৰা বেছিভাগ যৌন অপৰাধৰ ক্ষেত্ৰতে শাস্তিৰ ম্যাদ এনেকৈ বৃদ্ধি কৰা হোৱা নাই।

## 4. যৌন অপৰাধসমূহৰপৰা শিশুসকলক সুৰক্ষিত কৰিবলৈ বেলেগ আইন আছেনেকি?

**হয়, যিহেতু শিশুসকলৰ প্ৰয়োজনসমূহ আৰু পৰিস্থিতিসমূহ যৌন অপৰাধৰ প্ৰাপ্তবয়স্ক উত্তৰজীৱীসকলতকৈ বেলেগ হ'ব পাৰে, সেয়েহে যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম, 2012 (POCSO) নামৰ এখন পৃথক আইন প্ৰণয়ন কৰা হয় 2012 চনৰ 14 নৱেম্বৰ তাৰিখে। ই হ'ল 18 বছৰৰ অনুৰ্ধৰ শিশুসকলক যৌন অপৰাধসমূহৰপৰা সুৰক্ষা দিবলৈ, তেওঁলোকৰ বিৰুদ্ধে সংঘটিত যৌন অপৰাধসমূহত যথাযথ শাস্তি প্ৰদান কৰিবলৈ আৰু শিশুৰ শ্ৰেষ্ঠ স্বাৰ্থ সুৰক্ষিত কৰিব পৰাকৈ কৰ্মপদ্ধতিৰ দিহা দিবলৈ থকা এখন বিশেষ আইন।**

এই আইনতো কোৱা হৈছে যে যৌন কাৰ্য্যকলাপৰ বাবে সন্মতি প্ৰদানৰ বয়স হৈছে 18 বছৰ। ইয়াৰ অৰ্থ হ'ল যে 18 বছৰৰ অনুৰ্ধৰ এটি শিশুৱে যৌন সম্ভোগ বা কোনো যৌন কাৰ্য্যকলাপত লিপ্ত হোৱাৰ বিকল্প বাচি ল'লেও এই আইনে তেওঁলোকৰ বয়স কম হৈ থকা বাবে সেয়া তেওঁলোকৰ সন্মতি বুলি বিবেচনা নকৰিব।

তলৰ তালিকাত যৌন অপৰাধসমূহৰ পৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম (POCSO) ত সংজ্ঞাবদ্ধ কৰা যৌন অপৰাধসমূহ আৰু তাৰ শাস্তিৰ বিষয়ে উল্লেখ কৰা হৈছে।

**যৌন অপৰাধসমূহৰ পৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম, 2012 ৰ অধীনৰ অপৰাধসমূহ আৰু তাৰ শাস্তি**

| অপৰাধ আৰু বৰ্ণনা | শাস্তি | |
|---|---|---|
| | সৰ্বাধিক | ন্যূনতম |
| **ধাৰা 3**<br>**অন্তৰ্ভেদী যৌন আক্ৰমণ**<br>দেহৰ অংশ বা সামগ্ৰী শিশুৰ ভিতৰত ভৰাই দিয়া, বা এটি শিশুক আনৰ সৈতে তেনে কৰিবলৈ বাধ্য কৰোৱা; বা তেওঁলোকৰ মুখ শিশুৰ গুপ্তাংগত লগাই দিয়া (এটি শিশুৰ যোনিপথ, মুখ, মূত্ৰপথ বা পায়ুত যিকোনো ব্যাপ্তিলৈ লিংগ ভৰাই দিয়া) বা আন এজন ব্যক্তিৰ সৈতে শিশুক তেনে কৰিবলৈ বাধ্য কৰোৱা। | **ধাৰা 4 (1)**<br>যাৰজ্জীৱন কাৰাদণ্ড আৰু জৰিমনা | 10 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| | **ধাৰা 4 (2)**<br>**16 বছৰৰ অনুৰ্ধৰ এটি শিশুৰ ওপৰত**<br>প্ৰাকৃতিক জীৱনৰ অৱশিষ্ট কালৰ বাবে কাৰাদণ্ড আৰু জৰিমনা | 20 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| | **ধাৰা 4 (3)**<br>উপ-ধাৰা (1)ৰ অধীনত আৰোপ কৰা জৰিমনা ন্যায়সংগত আৰু যুক্তিযুক্ত হ'ব আৰু সেই ধনৰাশি তেওঁলোকৰ চিকিৎসা তথা পুনৰসংস্থানৰ বাবে হোৱা ব্যয়ৰ জোৰা মাৰিবলৈ ভুক্তভোগীক আদায় দিয়া হ'ব। | |

## ধাৰা 5

**তীব্ৰ অন্তৰ্ভেদী যৌন আক্ৰমণ**

কোনো পুলিচ বিষয়া, সশস্ত্ৰ বাহিনীসমূহৰ সদস্য, ৰাজহুৱা সেৱক, কিশোৰ সংস্কাৰ গৃহ, কাৰাগাৰ, হস্পিটেল বা স্কুলৰ কৰ্মচাৰীয়ে কৰা অন্তৰ্ভেদী যৌন আক্ৰমণ। ইয়াৰ ভিতৰত পৰে দলবদ্ধভাৱে কৰা অন্তৰ্ভেদী যৌন আক্ৰমণৰ জৰিয়তে আন যিকোনো মানুহে কৰা অন্তৰ্ভেদী যৌন আক্ৰমণ, মাৰণাস্ত্ৰ, জুই, অস্ত্ৰ-শস্ত্ৰ, উত্তপ্ত সামগ্ৰী বা ক্ষয়কাৰী দ্ৰব্য ব্যৱহাৰ কৰি কৰা অন্তৰ্ভেদী যৌন আক্ৰমণ, শিশুক শাৰীৰিকভাৱে অক্ষম কৰা বা শিশু মানসিকভাৱে অসুস্থ হৈ উঠাৰ কাৰণ হোৱা, গুৰুতৰ আঘাত বা দৈহিক ক্ষতি আৰু শিশুৰ যৌনাংগসমূহত আঘাত সৃষ্টি কৰা, এটি কন্যা শিশুক অন্তঃসত্বা কৰা, শিশুক এইচআইভী বা জীৱনলৈ ভাবুকি অনাআনৰোগ প্ৰদান কৰা অন্তৰ্ভেদী যৌন আক্ৰমণ, একাধিকবাৰ সংঘটিত কৰা অন্তৰ্ভেদী যৌন আক্ৰমণ, এজন আত্মীয়, শিশুটিক সেৱা প্ৰদান কৰা কোনো প্ৰতিষ্ঠানৰ গৰাকী/ব্যৱস্থাপক, শিশুটিৰ বিশ্বাসৰ স্থানত থকা বা শিশুটিৰ ওপৰত কৰ্তৃত্বৰ আসনত থকা এজন মানুহৰদ্বাৰা 12 বছৰৰ অনুৰ্ধৰ শিশুৰ ওপৰত কৰা অন্তৰ্ভেদী যৌন আক্ৰমণ, শিশুটি অন্তঃসত্বা হৈ থকা বুলি জানিও সংঘটিত কৰা অন্তৰ্ভেদী যৌন আক্ৰমণ, পূৰ্বতে এটা যৌন অপৰাধত দোষী সাব্যস্ত হোৱা এজন মানুহৰদ্বাৰা শিশুটিক হত্যা কৰিবলৈ চলোৱা প্ৰচেষ্টাসমূহ, সাম্প্ৰদায়িক বা গোষ্ঠীগত সংঘৰ্ষৰ সময়ত কৰা অন্তৰ্ভেদী যৌন আক্ৰমণ, অন্তৰ্ভেদী যৌন আক্ৰমণ তথা শিশুটিক বিবস্ত্ৰ কৰা বা ৰাজহুৱা স্থানত উলংগভাৱে প্ৰদৰ্শন কৰা।

## ধাৰা 6 (1)

সৰ্বাধিকঃ প্ৰাকৃতিক জীৱনৰ অৱশিষ্ট কালৰ বাবে কাৰাদণ্ড আৰু জৰিমনা, বা মৃত্যুদণ্ড

20 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা

## ধাৰা 6 (2)

উপ-ধাৰা (1)ৰ অধীনত আৰোপ কৰা জৰিমনা ন্যায়সংগত আৰু যুক্তিযুক্ত হ'ব আৰু সেই ধনৰাশি তেওঁলোকৰ চিকিৎসা তথা পুনৰসংস্থানৰ বাবে হোৱা ব্যয়ৰ জোৰা মাৰিবলৈ ভুক্তভোগীক আদায় দিয়া হ'ব।

---

## ধাৰা 7

**যৌন আক্ৰমণ**

যৌন অভিপ্ৰায়েৰে শিশুটিৰ গুপ্তাংগ (যোনিপথ, লিংগ, পায়ু বা স্তন) স্পৰ্শ কৰা, বা শিশুটিক কোনো ব্যক্তিৰ বা আন কোনো ব্যক্তিৰ গুপ্তাংগসমূহ স্পৰ্শ কৰিবলৈ বাধ্য কৰোৱা, বা যৌন অভিপ্ৰায় থকা আন কিবা কাম কৰা য'ত অন্তৰ্ভেদ নোহোৱাকৈ শাৰীৰিক সংস্পৰ্শ জড়িত হৈ থাকে।

## ধাৰা 8

5 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা

3 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা

**ধাৰা 9**

**উত্তেজিত যৌন আক্ৰমণ**

কোনো পুলিচ বিষয়া, সশস্ত্ৰ বাহিনীসমূহৰ সদস্যই, ৰাজহুৱা সেৱকে, কিশোৰ সংস্কাৰ গৃহৰ/কাৰাগাৰৰ/হস্পিটেলৰ/স্কুলৰ কৰ্মচাৰীয়ে কৰা যৌন আক্ৰমণ; আৰু আন কোনো ব্যক্তিয়ে কৰা এগৰাকী কন্যা শিশুক অন্তঃসত্বা কৰাৰ বাহিৰে, ধাৰা 5 ৰ দ্বিতীয় ভাগত উল্লেখ থকা যৌন আক্ৰমণৰ আন কাৰ্য্য।

**ধাৰা 10**

7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা

5 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা

---

**ধাৰা 11**

**যৌন আতিশৰ্য্য**

যৌন অভিপ্ৰায়সহিতে:

(i) কোনো শব্দ উচ্চাৰণ কৰা বা কোনো শব্দ কৰা, বা কোনো দেহভংগি কৰা বা কোনো বস্তু বা দেহৰ অংশ প্ৰদৰ্শন কৰা এই অভিপ্ৰায়েৰে যে শিশুটিয়ে এনে শব্দ বা ধ্বনি শুনিব, বা এনে দেহভংগি দেখিব; বা

(ii) এটি শিশুক তেওঁৰ দেহ বা ইয়াৰ কোনো অংশ দেখুৱাবলৈ বাধ্য কৰা, যাতে এনে ব্যক্তিয়ে বা আন কোনো ব্যক্তিয়ে তাক চাব পাৰে; বা

(iii) অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী)ৰ উদ্দেশ্যত যিকোনো ৰূপ বা মাধ্যমত এটি শিশুক কোনো সামগ্ৰী দেখুওৱা; বা

(iv) হয় পোনপটীয়াকৈ বা ইলেকট্ৰনিক, ডিজিটেল বা আন কোনো উপায়েৰে অবিৰতভাৱে এটি শিশুক অনুসৰণ কৰি থকা বা চাই থকা বা যোগাযোগ কৰি থকা; বা

(v) শিশুটিৰ দেহৰ কোনো অংশ বা শিশুটি এটা যৌন কাৰ্যত জড়িত থকাৰ এটা প্ৰকৃত বা জালিয়াতি কৰি প্ৰস্তুত কৰা দৃশ্য মিডীয়াৰ যিকোনো ৰূপত, ইলেকট্ৰনিক, ফিল্ম বা ডিজিটেল বা আন কোনো ধৰণত দেখুৱাবলৈ ব্যৱহাৰ কৰা হ'ব বুলি ভাবুকি দিয়া; বা

(vi) অশ্লীল সাহিত্যৰ উদ্দেশ্যত এটি শিশুক ফুচলোৱা

**ধাৰা 12**

3 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা

## আন অপৰাধসমূহ

| অপৰাধ আৰু বৰ্ণনা | শাস্তি | |
|---|---|---|
| | সৰ্বাধিক | ন্যূনতম |
| **ধাৰা 13**<br>**অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী)ৰ উদ্দেশ্যত শিশুৰ ব্যৱহাৰ:**<br>যিয়েই মিডীয়াৰ যিকোনো ৰূপত (ব্যক্তিগত ব্যৱহাৰ বা বিতৰণ ইয়াৰে কোনটো অভিপ্ৰায়ত তৈয়াৰ কৰা হৈছে সেই উদ্দেশ্য নিৰ্বিশেষে প্ৰস্তুত কৰা কাৰ্যসূচী বা বিজ্ঞাপনকে ধৰি) এটি শিশুক ব্যৱহাৰ কৰে, যৌন পৰিতুষ্টিৰ উদ্দেশ্যত, যিবোৰৰ ভিতৰত পৰে—<br>এটি শিশুৰ যৌনাংগসমূহৰ প্ৰকাশ;<br>প্ৰকৃত বা কৃত্ৰিম যৌনকাৰ্য্যত (অন্তৰ্ভেদসহিতে বা অন্তৰ্ভেদ অবিহনে) ব্যস্ত থকাত এটি শিশুৰ ব্যৱহাৰ;<br>এটি শিশুৰ অশোভনীয় বা অশ্লীল উপস্থাপন | **ধাৰা 14 (1)**<br>(2) উপ-ধাৰা (1) ৰ অধীনত উল্লেখ থকা অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী)ৰ উদ্দেশ্যত যিয়ে এটি বা একাধিক শিশুক ব্যৱহাৰ কৰে, 3 বা ধাৰা 5 বা ধাৰা 7  বা ধাৰা 9 ত উল্লেখ থকা এনে অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী)ৰ কাম-কাজত প্ৰত্যক্ষভাৱে ভাগ লৈ কোনো অপৰাধত লিপ্ত হয়, তেতিয়া উক্ত অপৰাধসমূহৰ বাবে তেওঁক উপ- ধাৰা (1) ত বিধান দি থোৱা শাস্তিৰ উপৰিও ধাৰা 4, ধাৰা 6, ধাৰা 8 আৰু ধাৰা 10 ৰ অধীনতো শাস্তি প্ৰদান কৰা হ'ব। | **প্ৰথমবাৰলৈ দোষীসাব্যস্তকৰণ**<br>5 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা<br>**পৰৱৰ্তী দোষীসাব্যস্তকৰণ**<br>7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |
| **ধাৰা 15**<br>**শিশু জড়িত হৈ থকা অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী) ৰ আদি সামগ্ৰীৰ মজুতকৰণ**<br>(1) শিশু অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী) আনৰ সৈতে ভগাই লোৱা বা আনলৈ সৰবৰাহ কৰাৰ অভিপ্ৰায়েৰে এটি শিশু জড়িত কৰি অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী) আদি সামগ্ৰী যিকোনো ৰূপত মজুত কৰা বা নিজৰ কৰি ৰখা, কিন্তু সেইবোৰ ডিলিট কৰিবলৈ বা ধ্বংস কৰিবলৈ বা নিৰ্ধাৰিত কৰ্তৃপক্ষক জনাবলৈ ব্যৰ্থ হোৱা যিকোনো ব্যক্তি | **ধাৰা 15 (1)** | **প্ৰথমবাৰলৈ দোষীসাব্যস্তকৰণ**<br>5000 টকাৰ জৰিমনা<br>**পৰৱৰ্তী দোষীসাব্যস্তকৰণ**<br>10,000 টকাৰ জৰিমনা |
| (2) নিৰ্ধাৰিত কৰি থোৱা মতে ৰিপ'ৰ্টিঙৰ উদ্দেশ্যৰ বাহিৰে বা আদালতত ব্যৱহাৰৰ বাহিৰে, সৰবৰাহ বা প্ৰচাৰ-প্ৰসাৰ বা প্ৰদৰ্শন বা বিতৰণৰ বাবে এটি শিশু জড়িত হৈ থকা অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী)ৰ আদি সামগ্ৰী মজুত কৰা বা নিজৰ লগত ৰখা যিকোনো ব্যক্তি | **ধাৰা 15 (2)**<br>3 বছৰৰ কাৰাদণ্ড বা জৰিমনা বা দুয়োটাই | |

(3) এটি শিশু জড়িত হৈ থকা অশ্লীল সাহিত্য, ছবি, চিত্ৰ (পৰ্ণগ্ৰাফী) আদি সামগ্ৰী ব্যাৱসায়িক উদ্দেশ্যেৰে মজুত কৰা বা নিজৰ লগত ৰখা যিকোনো ব্যক্তি

**ধাৰা 15 (3)**

**প্ৰথমবাৰলৈ দোষীসাব্যস্তকৰণ**

| | |
|---|---|
| 5 বছৰৰ কাৰাদণ্ড বা জৰিমনা বা দুয়োটাই | 3 বছৰৰ কাৰাদণ্ড বা জৰিমনা বা দুয়োটাই |

**পৰৱৰ্তী দোষীসাব্যস্তকৰণ**

| | |
|---|---|
| 7 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা | 5 বছৰৰ কাৰাদণ্ড আৰু জৰিমনা |

টোকা: যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা (POCSO) অধিনিয়ম, 2012 ৰ ধাৰা 42 অনুসাৰে, ভাৰতীয় দণ্ডবিধিৰ (IPC) ধাৰা 166 (ক), 354 (ক-ঘ), 370, 370 (ক), 375, 376, 376 (ক) 376 (গ-ঙ) আৰু 509ৰ অধীনত শাস্তিযোগ্য অপৰাধসমূহৰ বাবে যদি দোষী সাব্যস্ত কৰা হয়, তেন্তে অপৰাধীক যৌন অপৰাধৰ পৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম (POCSO) বা ভাৰতীয় দণ্ডবিধিৰ য'তেই অধিকতৰ শাস্তিৰ বিধান থাকে তাৰ অধীনত শাস্তি দিয়া হ'ব।

## 5. ভাৰতীয় দণ্ডবিধি অনুসৰি যৌন অপৰাধসমূহৰ ভুক্তভোগী আৰু কুকৰ্মকাৰী কোন হ'ব পাৰে?

বেছিভাগ যৌন অপৰাধেই **লিংগ নিৰ্দ্দিষ্ট,** গতিকে মহিলাক ভুক্তভোগী আৰু পুৰুষক কুকৰ্মকাৰী বুলি ধৰি লৈহে সেইবোৰ প্ৰযোজ্য হয়। কিন্তু অবৈধ মানৱ সৰবৰাহ আৰু এচিড আক্ৰমণৰ অপৰাধ আদি কিছুমান অপৰাধ লিংগ নিৰপেক্ষ। **লিংগ নিৰপেক্ষ** অপৰাধৰ ক্ষেত্ৰত পুৰুষ বা মহিলা নিৰ্বিশেষে যিকোনো ব্যক্তিয়েই ভুক্তভোগী বা কুকৰ্মকাৰী হ'ব পাৰে।

## 6. যৌন অপৰাধৰ পৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম (POCSO) অনুসৰি যৌন অপৰাধসমূহৰ ভুক্তভোগী আৰু কুকৰ্মকাৰী কোন?

যৌন অপৰাধৰ পৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম (POCSO)ৰ অধীনত, কেৱল এটি শিশুহেও ভুক্তভোগী আৰু এগৰাকী প্ৰাপ্তবয়স্কহে কুকৰ্মকাৰী হ'ব পাৰে। ই লগতে লিংগ নিৰপেক্ষও। ছোৱালী আৰু ল'ৰা উভয়ে ভুক্তভোগী হ'ব পাৰে, আনহাতে পুৰুষ আৰু মহিলা উভয়ে কুকৰ্মকাৰী হ'ব পাৰে।

## 7. এটা যৌন অপৰাধ সংঘটিত হৈছে বুলি শুনাৰ লগে লগে পুলিচে কাৰ্য্যব্যৱস্থা ল'ব পাৰেনে?

ভাৰতীয় দণ্ডবিধি (IPC) আৰু যৌন অপৰাধৰ পৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম (POCSO)[4] দুয়োটাৰে অধীনত পুলিচে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব পাৰে। যৌন অপৰাধসমূহ হ'ল ধৰ্তব্য অপৰাধ। ইয়াৰ অৰ্থ হ'ল সেইবোৰক গুৰুতৰ অপৰাধৰ শ্ৰেণীত থোৱা হয় আৰু এই ক্ষেত্ৰত লঘু অপৰাধৰ ক্ষেত্ৰত ল'বলগীয়া হোৱাৰ দৰে প্ৰথমতে ন্যায়িক দণ্ডাধীশ নামেৰেও পৰিচিত স্থানীয় ন্যায়াধীশৰপৰা অনুমতি নোপোৱাকৈও পুলিচে তাৎক্ষণিক কাৰ্য্যব্যৱস্থা ল'ব পাৰে। পুলিচে এটা গোচৰ পঞ্জীভুক্ত কৰিব পাৰে, অনুসন্ধান আৰম্ভ কৰিব পাৰে, আৰু গ্ৰেপ্তাৰী পৰোৱানা নোহোৱাকৈ গ্ৰেপ্তাৰ কৰিব পাৰে।

ভাগ B

# যৌন অপৰাধৰ গোচৰ দাখিল

## 8. কোনে পুলিচক এটা যৌন অপৰাধৰ গোচৰ দিব পাৰে?

> এটা যৌন অপৰাধ সংঘটিত হৈছে বুলি তথ্য থকা যিকোনো ব্যক্তিয়ে এই অপৰাধৰ গোচৰ দিবলৈ পুলিচৰ ওচৰ চাপিব পাৰে। তেনে ব্যক্তিসকল হৈছে যিকোনো বয়সৰ ভুক্তভোগী, সেই অপৰাধৰ কোনো সাক্ষী, বা কোনো যৌন অপৰাধ সংঘটিত হৈছে বুলি কিবা নিৰ্ভৰযোগ্য তথ্য হাতত থকা কোনো ব্যক্তি।

পুলিচক গোচৰ দিয়াৰ বাবে আপুনি অপৰাধটো সংঘটিত হোৱাটো দেখিবই লাগিব বুলি বা তাৰ ভুক্তভোগী হ'বই লাগিব বুলি কোনো কথা নাই। অপৰাধটোৰ বিষয়ে গোচৰ দিয়াজনে সততাৰে তথ্যখিনি দিবই লাগিব আৰু কোনো মিছা দাবী উত্থাপন কৰিব নালাগিব।

যিমানদূৰ সম্ভৱ হয়, উত্তৰজীৱীয়ে পুলিচক এনে অপৰাধৰ গোচৰ নিজেই দিয়া উচিত।

## 9. শিশুৰ বিৰুদ্ধে সংঘটিত যৌন অপৰাধ গোচৰ দাখিল কৰিবলৈ কিবা বেলেগ কাৰ্য্যপদ্ধতি আছেনেকি?

হয়, শিশুৰ বিৰুদ্ধে সংঘটিত প্ৰতিটো যৌন অপৰাধৰে গোচৰ দাখিল কৰাটো সুনিশ্চিত কৰিবলৈ শিশুৰ অধিকাৰ ৰক্ষাৰ দৃষ্টিভংগীৰে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা অধিনিয়মত বিশেষ কাৰ্য্যপদ্ধতি আছে।

এই অধিনিয়মৰ ধাৰা 19 ৰ অধীনত কোনো শিশুৰ বিৰুদ্ধে কোনো যৌন অপৰাধ সংঘটিত হ'ব পাৰে বুলি নাইবা তেনে অপৰাধ সংঘটিত হোৱা বুলি হাতত কোনো তথ্য থকা যিকোনো ব্যক্তিয়ে (শিশুৰ বাহিৰে) বিশেষ কিশোৰ পুলিচ ইউনিট (SJPU)বা স্থানীয় পুলিচক সেই বিষয়ে গোচৰ দিবই লাগিব।

ধাৰা 20 ৰ অধীনত, সংবাদ মাধ্যম, হোটেল, আশ্ৰয়স্থান, হস্পিটেল, ষ্টুডিঅ' বা ফটো লোৱা সুবিধা থকা কোনো কেন্দ্ৰৰ কোনো কৰ্মচাৰীয়ে যদি এটি শিশুক কোনোবাই যৌন শোষণ কৰাৰ যিকোনো তথ্য লাভ কৰে তেন্তে তেওঁ সেই বিষয়ে বিশেষ কিশোৰ পুলিচ ইউনিট (SJPU) বা স্থানীয় পুলিচক গোচৰ দিয়াটো বাধ্যতামূলক।

ধাৰা 21 ৰ অধীনত, এটি শিশুৰ বিৰুদ্ধে সংঘটিত এটা যৌন অপৰাধৰ গোচৰ দিবলৈ ব্যৰ্থ হোৱা যিকোনো ব্যক্তিক কাৰাদণ্ড বা জৰিমনা বা এই দুয়োটা শাস্তিয়েই বিহিব পৰা যায়। কোনো নিয়োগকৰ্তাই যদি তেওঁৰ হৈ কাম কৰা কোনো ব্যক্তিয়ে কোনো শিশুৰ বিৰুদ্ধে সংঘটিত কৰা কোনো যৌন অপৰাধৰ বিষয়ে গোচৰ নিদিয়ে তেন্তে তেওঁক কাৰাদণ্ড আৰু জৰিমনা বিহিব পৰা যায়।

## 10. যদি ঘটনাটো সংঘটিত হোৱাৰ ঠিক পাছতেই উত্তৰজীৱীয়ে এটা যৌন অপৰাধ ৰিপ'ৰ্ট কৰিবলৈ সক্ষম নহয় তেতিয়া কি হ'ব?

যৌন নিৰ্যাতনৰ সংঘাতৰ মুখামুখি হোৱা প্ৰতিগৰাকী ব্যক্তিৰে সঁহাৰি বেলেগ বেলেগ হয়। এই কথা সঁচা যে এনে এটা ঘটনা ঘটাৰ ঠিক পাছতেই এগৰাকী উত্তৰজীৱী পুলিচৰ কাষ চাপিব নোৱাৰিবও পাৰে। এইটো আশা কৰা হয় যে প্ৰতিগৰাকী উত্তৰজীৱীৰ

এনেকুৱা কোনোবা থাকিব যাক বিশ্বাসত লৈ তেওঁ কথা পাতিব পাৰে – এটা অনা-চৰকাৰী সেৱা সংস্থা (NGO), সক্ৰিয়তাবাদী ব্যক্তি, অধিবক্তা, পৰিয়ালৰ সদস্য, বা আন কোনো বিশ্বাসভাজন লোকক আস্থাত লৈ কথা পাতিব পাৰিব বুলি আশা কৰা হয়।

সম্ভৱস্থলত গোচৰ দিয়াত বৰ বেছি পলম নকৰাই ভাল। যিমান সোনকালে গোচৰ দিয়া হয় সিমান পুংখানুপুংখভাৱে ঘটনাৰ বিৱৰণ মনত পেলোৱা সম্ভৱ হয়। দৈহিক বা শাৰীৰিক প্ৰমাণ সংগ্ৰহ কৰিব পৰা যায়। এনে ধৰণৰ কাৰকে কুকৰ্মকাৰীক কৰায়ত্ব কৰা আৰু শাস্তি প্ৰদান কৰোৱাৰ পৰাৰ সম্ভাৱনীয়তা অধিকতৰ কৰি তোলে। লগতে, কোনো আঘাত বা অসুবিধালৈ যথাযথ মনোযোগ দিবলৈ হ'লে প্ৰয়োজনীয় চিকিৎসা সম্পৰ্কীয় পৰিচৰ্য্যা অনতিপলমে পোৱাটো গুৰুত্বপূৰ্ণ।

> **উত্তৰজীৱীয়ে যদি পুলিচৰ কাষ চাপিবলৈ সময় লয়, তেন্তে তেওঁ প্ৰয়োজন হ'লে কোনোবা বিশ্বাসযোগ্যৰ সহায় লৈ (বেচৰকাৰী সংস্থা, সক্ৰিয়তাবাদী ব্যক্তি, অধিবক্তা, বা আন কোনো বিশ্বাসভাজন) অপৰাধ(সমূহ)ৰ বিষয়ে এটা প্ৰথম বিৱৰণ লিপিবদ্ধ কৰাৰ ব্যৱস্থা কৰা উচিত। ঘটনাটো ঘটাৰ পাছত যিমান পৰা যায় সিমান সোনকালে তাৰিখ, সময়, আৰু ঘটনাৰ বিশদ বিৱৰণ আদি সন্নিবিষ্ট কৰি এই বিৱৰণ প্ৰস্তুত কৰা উচিত। ঘটনা সংঘটিত হোৱা দিনটোৰ পানী নসৰকা প্ৰমাণ হিচাপে ইমেইল বা ৰেজিষ্টাৰ্ড ডাকযোগে সেই লিখিত বিৱৰণ কোনো এগৰাকী বিশ্বাসযোগ্য আত্মীয় বা বন্ধুলৈ প্ৰেৰণ কৰা উচিত । তাৰিখৰ প্ৰমাণসহিতে যিকোনো দৃশ্যমান আঘাতৰ ফটো লোৱা উচিত।[5]**

লিখিত বিৱৰণ আৰু কোনো আঘাত পালে তাৰ প্ৰয়োজনীয় ফটোৰে লোৱা সাক্ষ্য সুনিশ্চিত কৰাটোৱে উত্তৰজীৱীৰ দৃষ্টিকোণেৰে ঘটনাটোৰ সত্য তথা বিশদ বিৱৰণৰ প্ৰথম স্মৰণ হেৰুৱাবলগীয়া নোহোৱাকৈ উত্তৰজীৱীগৰাকীক তেওঁ সাজু হোৱাৰ লগে লগে ন্যায় প্ৰণালীৰ দ্বাৰস্থ হোৱাৰ বাবে  সক্ষম কৰি তোলে।

এগৰাকী উত্তৰজীৱীয়ে কোনো অপৰাধ সংঘটিত হোৱাৰ কিছু সময় পাৰ হৈ যোৱাৰ পাছতহে অপৰাধৰ বিষয়ে গোচৰ দাখিল কৰিলে পুলিচক সেই বিলম্বৰ কাৰণো জনোৱা উচিত।

## 11. এটা অপৰাধৰ গোচৰ দাখিল কৰিবলৈ উত্তৰজীৱী কেনেকৈ পুলিচৰ কাষ চাপিব পাৰে?

এগৰাকী উত্তৰজীৱীয়ে পুলিচক গোচৰ দাখিল কৰাৰ বহুতো উপায় আছে:

প্ৰথমবাৰলৈ ৰিপ'ৰ্ট কৰাৰ ধৰণ যিয়েই নহওক কিয়, অভিযোগৰ পঞ্জীয়নৰ বাবে উত্তৰজীৱী পুলিচ ষ্টেছনলৈ ব্যক্তিগতভাৱে যাব লাগিব।

**1**

## পুলিচ ষ্টেছন, বা বীট চকীলৈ নিজে গৈ

কিছুমান ৰাজ্যত মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধসমূহৰ বিৰুদ্ধে যথাযথ সঁহাৰি জনাবৰ বাবে কেৱল মহিলাৰ দ্বাৰা পৰিচালিত পুলিচ ষ্টেছন আছে। সেইবোৰ ষ্টেছনত অভিযোগৰ গোচৰ লবলৈ, পঞ্জীয়ন কৰিবলৈ, আৰু সম্ভৱস্থলত অনুসন্ধান কৰিবলৈ কৰ্মচাৰী হিচাপে ঘাইকৈ মহিলা পুলিচ থাকে। এগৰাকী উত্তৰজীৱী বা তেওঁক সহায় কৰা ব্যক্তিগৰাকীয়ে তেওঁলোকৰ ৰাজ্যত কেৱল মহিলাৰদ্বাৰাহে পৰিচালিত পুলিচ ষ্টেছন আছে নেকি খবৰ কৰি চাব পাৰে বা স্থানীয় পুলিচে তেওঁলোকক এই কথা ক'ব পাৰে।








**2**

## প্ৰযোজ্য হলে পুলিচ নিয়ন্ত্ৰণ কক্ষ (100/ 112), বা বিশেষ হেল্পলাইনলৈ (যদি তেনে হেল্পলাইন থাকে), বা এটা চ্চাইল্ড হেল্পলাইনলৈ (1098) ফোন কৰি

## স্থানীয় পুলিচ ষ্টেছনলৈ (বা কেৱল মহিলাৰ দ্বাৰা পৰিচালিত পুলিচ ষ্টেছন থাকিলে সেই পুলিচ ষ্টেছনলৈ) ফোন কৰি

**3**

**ইমেইলযোগে বা ডাকযোগে এটা লিখিত অভিযোগ প্ৰেৰণ কৰি**




পুলিচ নিয়ন্ত্ৰণ কক্ষলৈ বা নিৰ্দিষ্ট হেল্পলাইন নম্বৰলৈ ফোন কৰাৰ লগে লগে ততাতৈয়াকৈ এখন ভেনত পুলিচৰ এটা দল উত্তৰজীৱী থকা স্থানলৈ প্ৰেৰণ কৰা উচিত। তেওঁলোকে আৰু অধিক অপকাৰ হোৱাৰ পৰা সুৰক্ষা দিব পৰাকৈ উত্তৰজীৱীক তাৰপৰা আঁতৰাই আনিব লাগে, প্ৰয়োজন হ'লে উত্তৰজীৱীক চিকিৎসা সাহায্যৰ বাবে লৈ যাব লাগে। ঘটনাটোৰ পঞ্জীয়নত সহায় কৰিবলৈ স্থানীয় পুলিচ ষ্টেছনৰ কৰ্মচাৰীও সেই স্থানত উপস্থিত হোৱা উচিত। ঘাইকৈ নগৰ আৰু নগৰীয়া এলেকাসমূহত পুলিচ ভেন সেৱা প্ৰদান কৰা হয়।

নিকটতম বীট চকী গৈ পোৱাৰ পাছত, চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই তেওঁলোকৰ নিৰ্ধাৰিত পঞ্জীয়ন বহীত তথ্যখিনি লিপিবদ্ধ কৰা উচিত আৰু ততালিকে স্থানীয় পুলিচ ষ্টেছনক কথাটো জনাই অভিযোগটো তালৈ আগবঢ়াই দিয়া উচিত। চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই কোনটো পুলিচ ষ্টেছনলৈ অভিযোগটো আগবঢ়াই দিয়া হৈছে আৰু লগতে সেই পুলিচ ষ্টেছনৰ কৰ্মচাৰীসকলে যে অভিযোগটো পঞ্জীয়ন কৰিব তথা এগৰাকী অনুসন্ধানকাৰী বিষয়াক অনুসন্ধানৰ দায়িত্ব অৰ্পণ কৰা হ'ব সেই কথা উত্তৰজীৱীক কোৱা উচিত।

যদিহে এগৰাকী উত্তৰজীৱীয়ে এটা যৌন অপৰাধৰ কথা ৰিপ'ৰ্ট কৰিবলৈ এটা চ্চাইল্ড হেল্পলাইনলৈ ফোন কৰে, হেল্পলাইনে ততালিকে সেই কথা SJPU বা স্থানীয় পুলিচক জনাব লাগিব।[6]

## 12. এটাযৌন অপৰাধ ৰিপ'ৰ্ট কৰিবলৈ উত্তৰজীৱীয়ে যিকোনো পুলিচ ষ্টেছনৰ কাষ চাপিব পাৰেনে?

যিটো পুলিচ ষ্টেছনৰ পৰিসৰৰ ভিতৰত অপৰাধটো সংঘটিত হৈছিল সেইটো পুলিচ ষ্টেচনতে অপৰাধৰ গোচৰ দাখিল কৰাটোৱেই শ্ৰেয় কাৰণ সেই পুলিচ ষ্টেছনেই অপৰাধৰ অনুসন্ধান কৰিব। উত্তৰজীৱীয়ে কোনটো পুলিচ ষ্টেছনৰ এলেকাৰ ভিতৰত অপৰাধটো সংঘটিত হৈছিল সেই কথা জনাটো প্ৰয়োজনীয় আৰু তেওঁ সেই কথা জানিবৰ বাবে অনা-চৰকাৰী সংস্থা বা সহায়কাৰী ব্যক্তিসকলৰ সহায় ল'ব পাৰে।

অৱশ্যে, এই কথা জনাটো গুৰুত্বপূৰ্ণ যে এটা অপৰাধৰ ৰিপ'ৰ্ট কৰিবলৈ অহা এগৰাকী ব্যক্তিক কোনো পুলিচ ষ্টেচনে বিমুখ কৰিব নোৱাৰে।

> **যদিহে এগৰাকী উত্তৰজীৱী অপৰাধটো সংঘটিত হোৱা ক্ষেত্ৰাধিকাৰৰ বাহিৰৰ কোনো পুলিচ ষ্টেচনলৈ যায়, তেন্তে পুলিচে "জিৰো FIR" নামেৰে পৰিচিত এটা ব্যৱস্থাৰ অধীনত অভিযোগটো পঞ্জীভুক্ত কৰিব লাগিব আৰু সেই ক্ষেত্ৰাধিকাৰৰ পুলিচ ষ্টেছনলৈ তাক আগবঢ়াই দিয়াটো সুনিশ্চিত কৰিব লাগিব।[7]**


## 13. গোচৰ দাখিল কৰিবলৈ পুলিচ ষ্টেছনলৈ যোৱাৰ সময়ত উত্তৰজীৱীয়ে লিখিত অভিযোগ লগত লৈ যাব লাগিব নেকি?

গোচৰ দাখিল কৰাৰ সময়ত এগৰাকী উত্তৰজীৱীয়ে লগত লিখিত অভিযোগ ৰখাটো বাধ্যতামূলক নহয়। এগৰাকী উত্তৰজীৱীয়ে তেওঁৰ অভিজ্ঞতাৰ কথা পুলিচক বৰ্ণনা কৰি মৌখিকভাৱে এটা অভিযোগ দিব পাৰে। অভিযোগটো পঞ্জীভুক্ত কৰা প্ৰক্ৰিয়াৰ অংশ হিচাপে এইখিনি তথ্য লিখি ৰখাটো পুলিচৰ অৱশ্য-কৰ্তব্য।

অৱশ্যে, উত্তৰজীৱীগৰাকীয়ে আগতীয়াকৈ এটা লিখিত অভিযোগ প্ৰস্তুত কৰিব পাৰে (এই কাম কৰিবলৈ তেওঁ যিকোনো বিশ্বাসভাজন লোকৰপৰা প্ৰয়োজনীয় সহায় ল'ব পাৰে), এনে কৰিলে উত্তৰজীৱীগৰাকীৰ পক্ষে অভিযোগ পঞ্জীকৰণৰ প্ৰক্ৰিয়াটো সহজ হৈ উঠে। ই এই কথা সুনিশ্চিত কৰিব পাৰে যে উত্তৰজীৱীৰ দৃষ্টিকোণৰপৰা সমূহ প্ৰথম সত্যৰ লিখিত বিৱৰণ হাতত পোৱাকৈ আছে।

হাতত লিখিত অভিযোগ থাকিলে উত্তৰজীৱীয়ে লগত তাৰ দুটা প্ৰতিলিপি লৈ গ'লে সুবিধা হ'ব। অভিযোগটোৰ পঞ্জীকৰণ প্ৰক্ৰিয়াৰ অংশ হিচাপে, সংশ্লিষ্ট পুলিচ বিষয়াগৰাকীয়ে আদৰ্শৰূপত এজাহাৰৰ (FIR) সৈতে অভিযোগৰ এটা প্ৰতিলিপি গাঁথি দিয়া উচিত, আৰু এই এজাহাৰ হ'ল অপৰাধৰ এটা অভিযোগৰ পঞ্জীকৰণৰ প্ৰতিনিধিত্ব কৰা এক ন্যায়িক নথি (তলত বিশদভাৱে ব্যাখ্যা কৰা হৈছে)।

পুলিচে যদি ততালিকে এজাহাৰ পঞ্জীভুক্ত নকৰে আৰু উত্তৰজীৱীক আন এদিন আহিবলৈ কয়, উত্তৰজীৱীগৰাকীয়েও পুলিচ ষ্টেছনত অভিযোগৰ এটা প্ৰতিলিপিত চিল-মোহ মাৰি আৰু সেইদিনাৰ তাৰিখটো উল্লেখ কৰি প্ৰাপ্তি স্বীকাৰ কৰি তেওঁৰ হাতত দিবলৈ পুলিচক কোৱা উচিত। এনে কৰাটো পুলিচৰ অৱশ্য-কৰ্তব্য নহয়, তথাপি এনে মোহৰ লগোৱা প্ৰতিলিপি বিচৰাটো উত্তৰজীৱীৰ বাবেই ভাল। পুলিচ ষ্টেছনত এটা লিখিত অভিযোগ দাখিল কৰাৰ প্ৰমাণ নিজৰ লগত ৰাখিব পাৰিলে সেইটো প্ৰয়োজনসাপেক্ষে পৰৱৰ্তী ন্যায়িক পদক্ষেপ লোৱাৰ সময়ত উত্তৰজীৱীগৰাকীৰ পক্ষে যথেষ্ট সহায়ক হ'ব।




## 14. পুলিচক গোচৰ দিয়াৰ আগতে এগৰাকী উত্তৰজীৱী হস্পিটেললৈ যাব পাৰেনে?

যৌন নির্য্যাতনে উত্তৰজীৱীসকলৰ স্বাস্থ্যৰ ওপৰত ভালেমান হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী প্ৰভাৱ পেলাব পাৰে। পোনে পোনে পুলিচৰ ওচৰ চাপিবলৈ সাজু নহয় বুলিয়েই কোনো উত্তৰজীৱীকে যথাযথ ডাক্তৰী পৰিচৰ্য্যা তথা মনোযোগৰপৰা বঞ্চিত কৰিব পৰা নাযায়। দৰাচলতে, এচিড আক্ৰমণ আৰু ধৰ্ষণৰ উত্তৰজীৱীসকলক বিনামূল্যে প্ৰাথমিক চিকিৎসা বা ডাক্তৰী যতন তথা পৰিচৰ্য্যা প্ৰদান কৰাটো আটাইবোৰ হস্পিটেলৰ বাবে আইনে বাধ্যতামূলক কৰিছে। তদুপৰি, পুলিচক জনোৱাটোও হস্পিটেলসমূহৰ এটা ন্যায়িক কৰ্তব্য।[8]

এটি শিশু উত্তৰজীৱীৰ ক্ষেত্ৰত কিশোৰৰ বাবে থকা বিশেষ পুলিচ ইউনিটে (SJPU) এটা অপৰাধ সংঘটিত হোৱাৰ গোচৰ লাভৰ ২৪ ঘণ্টাৰ ভিতৰতে সেই শিশু উত্তৰজীৱীৰ পৰিচৰ্য্যা আৰু সুৰক্ষাৰ প্ৰয়োজন থাকিলে শিশুটিক নিকটতম হস্পিটেললৈ লৈ যাব লাগিব।[9]

## 15. একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰবোৰ (OSCs)কিআৰু সেইবোৰে উত্তৰজীৱীক কেনেকৈ সহায় কৰিব পাৰে?

যিকোনো প্ৰকাৰৰ নিৰ্যাতনৰ দ্বাৰা প্ৰভাৱান্বিত 18 বছৰৰ অনুৰ্ধৰ মহিলা আৰু ছোৱালীবোৰক সহায় কৰাৰ বাবে একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰবোৰ (OSCs) বোৰৰ 10 পৰিকল্পনা কৰা হৈছে। এইবোৰ কেন্দ্ৰই উত্তৰজীৱীসকলক একে স্থানতে ডাক্তৰী, ন্যায়িক, মনোবৈজ্ঞানিক, আৰু পৰামৰ্শদানকে ধৰি সমন্বিত সেৱাসমূহ প্ৰদান কৰে।[10]

মুঠ 28 খন ৰাজ্য আৰু ৫ খন কেন্দ্ৰশাসিত ৰাজ্যক্ষেত্ৰত এনে প্ৰায় 556 টা কেন্দ্ৰ আছে। যিহেতু দেশৰ প্ৰতিখন প্ৰতিখন ৰাজ্যৰ সকলোবোৰ জিলাত এইবোৰ কেন্দ্ৰই এতিয়াও কাম আৰম্ভ কৰা নাই, গতিকে উত্তৰজীৱিগৰাকী কোনটো কেন্দ্ৰ (OSC) লৈ যাব সেয়া নিৰ্ভৰ কৰিব তেওঁ থকা স্থানৰ ওপৰত।

OSC বোৰে এগৰাকী উত্তৰজীৱীক তেওঁৰ অভিযোগ পুলিচক ৰিপ'ৰ্ট কৰাত আৰু এখন এজাহাৰৰ পঞ্জীয়ন বিচৰাত সহায় কৰিব পাৰে।[12] এনে প্ৰতিটো  কেন্দ্ৰতে এগৰাকী প্ৰশাসক থাকিব আৰু তেওঁ এগৰাকী উত্তৰজীৱীৰ বাবে যোগাযোগ স্থাপনৰ প্ৰথমটো বিন্দু হ'ব।

## 16. ৰিপ'ৰ্ট কৰাৰ সময়ত অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ উত্তৰজীৱীসকলে কোনবোৰ কথা মনত ৰখা উচিত?

অনুসূচীত জাতি/অনুসূচীত জনজাতি সম্প্ৰদায়ৰ কোনো উত্তৰজীৱীক তেওঁৰ সৈতে একে জাতি/জনজাতি পৰিচয়ৰ নোহোৱা কোনো ব্যক্তিয়ে পৰিচয়ভিত্তিক আতিশয্যৰ ৰূপত কোনো যৌন নিৰ্য্যাতন চলায় তেন্তে তেওঁ নিজৰ অভিযোগত তেওঁৰ জাতি/জনজাতিৰ কথা উল্লেখ কৰাটো গুৰুত্বপূৰ্ণ। ইয়াৰ পাছত তেওঁলোকে এই বিশদ বিৱৰণ পুলিচে অভিযোগটো পঞ্জীভুক্ত কৰাৰ সময়ত অভিলেখবদ্ধ কৰাটো সুনিশ্চিত কৰিব পাৰে। লগতে তেওঁলোকে যদিহে জানে তেন্তে তথাকথিত কুকৰ্মকাৰী (সকল)ৰ জাতি/জনজাতিও নিৰ্দ্দিষ্ট কৰি দিব পাৰে। হাতত থকা তথ্য আৰু উত্তৰজীৱী তথা কুকৰ্মকাৰী কোনটো সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত সেই কথাৰ ওপৰত নিৰ্ভৰ কৰি পুলিচে আতিশয্য অধিনিয়মৰ অধীনতো অভিযোগটো পঞ্জীভুক্ত কৰিব পাৰে।

## 17. এটা যৌন অপৰাধ ৰিপ'ৰ্ট কৰিবলৈ চেষ্টা কৰা মানসিকভাৱে বা শাৰীৰিকভাৱে (অস্থায়ীভাৱে বা স্থায়ীভাৱে) বিকলাংগ উত্তৰজীৱীসকলক সহায় কৰিবলৈ পুলিচে কিবা বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লাগে নেকি?

হয়, কিছুমান অপৰাধৰ মহিলা উত্তৰজীৱী সকলৰ বাবে যৌন অপৰাধসমূহৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ ল'ব লাগিব বুলি আইনত নিৰ্দ্দিষ্ট কৰি দিয়া আছে।[13] যেতিয়াই পুলিচক জনোৱা হয় যে এগৰাকী বিকলাংগ উত্তৰজীৱীয়ে এটা অভিযোগ কৰিব খুজিছে, তেতিয়াই পুলিচে এগৰাকী দোভাষী/বিশেষ শিক্ষাবিশাৰদৰ উপস্থিতিত তেওঁৰ বাসভৱনলৈ বা তেওঁ বাচি লোৱা এঠাইলৈ গৈ তেওঁৰ বিবৃতি অভিলেখবদ্ধ কৰিব লাগে।



পুলিচে লগতে যথাসম্ভৱ সোনকালে তেওঁৰ বিবৃতি এগৰাকী ন্যায়িক দণ্ডাধীশৰ হতুৱায়ো অভিলেখবদ্ধ কৰোৱাব লাগে।[14]

ভাগ C

# এজাহাৰ হিচাপে অভিযোগসমূহৰ পঞ্জীকৰণ

## 18. এখন এজাহাৰ কি?

পুলিচে এগৰাকী ভুক্তভোগী/উত্তৰজীৱীৰপৰা এটা অভিযোগ পোৱাৰ লগে লগে অভিযোগটো পঞ্জীয়ন কৰিব লাগিব। ইয়াকে এজাহাৰ (FIR) বুলি জনা যায়। এইটো হ'ল পুলিচৰ ন্যায়িক কৰ্তব্য।

এজাহাৰ হ'ল পুলিচে প্ৰস্তুত কৰা এখন লিখিত নথি। এইখন হ'ল এটা অপৰাধ বা অপৰাধসমূহৰ সংঘটনৰ বিষয়ে পুলিচৰ ওচৰলৈ প্ৰথমতে অহা তথ্যৰ এখন প্ৰতিবেদন আৰু এগৰাকী ব্যক্তিয়ে পুলিচক এটা অভিযোগৰ গোচৰ দাখিল কৰাৰ পাছতহে এইখন প্ৰস্তুত কৰা হয়। পুলিচ ষ্টেছনত এজাহাৰ পঞ্জীভুক্ত কৰাৰ পাছতহে পুলিচে তেওঁলোকৰ অনুসন্ধান আৰম্ভ কৰিব পাৰে। ন্যায়িক প্ৰক্ৰিয়া আৰম্ভ কৰাৰ প্ৰথমটো পদক্ষেপ হ'ল পুলিচৰদ্বাৰা এখন এজাহাৰ পঞ্জীয়ন কৰা।

## 19. এটা অপৰাধৰ অভিযোগ লাভ কৰাৰ পাছত পুলিচে এজাহাৰ পঞ্জীভুক্ত নকৰাকৈ থাকিব পাৰেনে?

নোৱাৰে। অভিযোগটোত কোনো ধৰ্তব্য অপৰাধ সংঘটিত হোৱা বুলি উল্লেখ কৰিলে পুলিচে ততালিকে এখন এজাহাৰ পঞ্জীভুক্ত কৰিবই লাগিব। সকলোবোৰ অপৰাধক আইনত গুৰুতৰ (ধৰ্তব্য) আৰু কম গুৰুতৰ (নধৰ্তব্য) অপৰাধ হিচাপে শ্ৰেণীবদ্ধ কৰা হয়। আটাইবোৰ যৌন অপৰাধ হ'ল ধৰ্তব্য অপৰাধ।

ফৌজদাৰী কাৰ্য্যপদ্ধতি সংহিতা (CrPC) হৈছে এক গুৰুত্বপূৰ্ণ আইন। ফৌজদাৰী গোচৰৰ বিচাৰকাৰ্য্যৰ বেলিকা পুলিচ আৰু আদালতসমূহে মানি চলিব লগা কাৰ্য্যপদ্ধতি ই ধাৰ্য্য কৰি দিছে। যেতিয়া পুলিচৰদ্বাৰা ফৌজদাৰী গোচৰসমূহৰ পঞ্জীয়ন আৰু অনুসন্ধানৰ কথা আহে, তেতিয়া এটা ধৰ্তব্য অপৰাধ সংঘটিত হোৱা বুলি পুলিচৰ হাতত আহি তথ্য পৰাৰ লগে লগে এখন এজাহাৰ FIR পঞ্জীভুক্ত কৰাটো ফৌজদাৰী কাৰ্য্যপদ্ধতি সংহিতা (CrPC) ই পুলিচৰ বাবে বাধ্যতামূলক কৰিছে।১৫ উচ্চতম ন্যায়ালয়ে এইবুলি কৈছে যে যদি কোনো তথ্যই এটা ধৰ্তব্য অপৰাধৰ বৰ্ণনা দিয়ে তেন্তে পুলিচে আনকি সেই তথ্যৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কেও প্ৰশ্ন তুলিব নোৱাৰে। তথ্য প্ৰদান কৰা ব্যক্তিগৰাকীয়ে পুলিচক কোৱা গোটেইখিনি কথা পুলিচে লিখি ৰাখিব লাগিব আৰু তাৰ ওপৰত নিৰ্ভৰ কৰি এখন এজাহাৰ পঞ্জীভুক্ত কৰিব লাগিব।[16]

ওপৰত উল্লেখ কৰা এই আটাইবোৰ বিষয় এটি শিশুৰ বিৰুদ্ধে সংঘটিত যৌন অপৰাধসমূহৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। লগতে যৌন অপৰাধসমূহৰ পৰা শিশু সুৰক্ষা অধিনিয়ম (POCSO) ৰ ধাৰা 19ত কোৱা হৈছে যে এটা যৌন অপৰাধ সম্পৰ্কে পুলিচে কোনো অভিযোগ বা তথ্য লাভ কৰাৰ লগে লগে তেওঁলোকে তাক লিখিতভাৱে অভিলেখবদ্ধ কৰিব লাগিব। এই অধিনিয়মৰ নিয়ম 4 (3) ত এই অভিযোগ বা তথ্য প্ৰাপ্ত কৰা কিশোৰৰ বাবে থকা বিশেষ পুলিচ ইউনিট (SJPU) বা স্থানীয় পুলিচৰ বাবে "ফৌজদাৰী কাৰ্য্যপদ্ধতি সংহিতা, 1973 ৰ ধাৰা 154 ৰ ব্যৱস্থাৱলী অনুসাৰে এখন এজাহাৰ অভিলেখবদ্ধ আৰু পঞ্জীভুক্ত কৰিবলৈ আগবঢ়া"টো বাধ্যতামূলক কৰিছে।[17]

## 20. যৌন অপৰাধৰ বাবে এখন এজাহাৰ পঞ্জীভুক্ত কৰাৰ আগতে পুলিচে এটা প্ৰাথমিক অনুসন্ধান সম্পন্ন কৰিব পাৰেনে?

> ভাৰতীয় দণ্ডবিধি (IPC) আৰু যৌন অপৰাধসমূহৰ পৰা শিশু সুৰক্ষা অধিনিয়ম (POSCO)ৰ অধীনত আটাইবোৰ যৌন অপৰাধেই ধৰ্তব্য অপৰাধ হোৱা হেতুকে এখন এজাহাৰ পঞ্জীভুক্ত কৰাৰ আগতে প্ৰাথমিক তথ্যখিনিৰ সত্যাসত্য নিৰূপণ কৰাৰ বাবে কৰি চাব লাগিব বুলি পুলিচে ক'ব নোৱাৰে।

উচ্চতম ন্যায়ালয়ে কৈছে যে সীমিত প্ৰকাৰৰ গোচৰৰ ক্ষেত্ৰতহে (সেইবোৰ হৈছে বৈবাহিক বিবাদ, ব্যৱসায়িক অপৰাধ, চিকিৎসাৰ ক্ষেত্ৰত অৱহেলাৰ ঘটনা, দুৰ্নীতিৰ ঘটনা বা ৰিপ'ৰ্ট কৰোতে অত্যধিক বিলম্ব ঘটা যেন লগা ঘটনাসমূহ) এজাহাৰ পঞ্জীভুক্ত কৰাৰ আগতে এটা প্ৰাথমিক অনুসন্ধানৰ অনুমতি দিয়া হয়। আনকি এইবোৰ ঘটনাতো প্ৰাথমিক অনুসন্ধানত অপৰাধটো ধৰ্তব্য অপৰাধ হয়নে নহয় কেৱল তাকহে চাব পৰা যায়, লাভ কৰা তথ্যৰ সত্যাসত্য নিৰূপণ কৰাটো এনে অনুসন্ধানৰ কাম নহয়।[18] আন সকলো গোচৰৰ ক্ষেত্ৰত প্ৰাথমিক অনুসন্ধান সম্পন্ন কৰাৰ পৰা পুলিচক বাৰণ কৰা হৈছে।

যদি পুলিচে এগৰাকী উত্তৰজীৱীক কয় যে তেওঁলোকে এটা যৌন অপৰাধৰ গোচৰ পঞ্জীভুক্ত কৰিব পৰাৰ আগতে এটা প্ৰাথমিক অনুসন্ধান চলাব লাগিব, তেতিয়া উত্তৰজীৱীৰ পক্ষই তাৰ সঁহাৰিত পুলিচক এনেকৈ ক'ব পাৰে যে উচ্চতম ন্যায়ালয়ে ললিতা কুমাৰী বনাম উত্তৰপ্ৰদেশ চৰকাৰ গোচৰত কৰা ৰায়দানমৰ্মে এনে কৰাটো অবৈধ কথা।

## 21. এখন এজাহাৰত কোনবোৰ কথা থকা উচিত?

সত্য আৰু তথ্যখিনি আপুনি যেনেকৈ জানে বা আপোনাক যেনেকৈ কোৱা হৈছে সেই ধৰণে এজাহাৰত (FIR) সন্নিৰিষ্ট কৰা উচিত। পুলিচক গোচৰ দিওতে আপুনি দিয়া তথ্যৰ কোনোটোৱেই পুলিচে সলনি কৰিব নোৱাৰে।



কিছুমান তথ্য পুলিচক জনোৱাটো প্ৰয়োজনীয় যাতে সেইখিনি এজাহাৰত (FIR) ত অন্তৰ্ভুক্ত কৰিব পৰা যায়। সেইবোৰ হৈছে:

- যৌন অপৰাধ সংঘটিত হোৱাৰ **তাৰিখ, সময়, আৰু অৱস্থান**
- অভিযোগকাৰী হিচাপে **আপোনাৰ নাম, সম্পূৰ্ণ ঠিকনা, আৰু ফোন নম্বৰ**
- আপুনি যিমান ভালকৈ পাৰে মনত পেলাই, ঘটনাটো **যেনেকৈ সংঘটিত হৈছিল তেনেকৈ তাৰ সত্য তথ্যবোৰ জনাব;** যাৰ ভিতৰত সন্নিৰিষ্ট থাকিব অপৰাধটো কেনেকৈ

সংঘটিত কৰা হৈছিল তাৰ বিশদ বিৱৰণ [উদাহৰণ স্বৰূপে, সহিবলগীয়া দৈহিক আঘাত বা ব্যৱহাৰ হোৱা অস্ত্ৰ-শস্ত্ৰ]

- **ঘটনাটোত জড়িত হৈ থকা লোকসকলৰ নাম, যোগাযোগৰ বিশদ বিৱৰণ,** আৰু ব্যাখ্যা; আপুনি যদি অভিযুক্তৰ নাম(বোৰ) নাজানে, আপুনি দিব পৰা এনে আটাইবোৰ তথ্য দিয়ক যিবোৰ ব্যৱহাৰ কৰি তেওঁলোকক চিনাক্ত কৰিব পৰা যায়, যেনে লিংগ, আনুমানিক বয়স, দেহৰ গঠন আৰু উচ্চতা, বা তেওঁলোকৰ দেহত বা তেওঁলোকৰ মাত-কথাত থকা এনে কিবা বৈশিষ্ট্য যিবোৰৰ সহায়ত তেওঁলোকৰ চিনাক্তকৰণ সম্ভৱ হয়
- **অভিযুক্তৰ সৈতে উত্তৰজীৱীৰ সম্পৰ্ক,** যদি কিবা আছে
- **যৌন আক্ৰমণৰ ঘটনাৰ সংখ্যা,** যদি পুনৰাবৃত্তি হয়
- অপৰাধ সংঘটিত হোৱাৰ তাৰিখৰপৰা **ৰিপ'ৰ্ট কৰোঁতে হোৱা বিলম্বৰ কাৰণবোৰ** (যদিহে প্ৰযোজ্য হয়)

গোচৰটো আৰু কি ঘটিছিল তাৰ ওপৰত নিৰ্ভৰ কৰি, আপুনি প্ৰাসংগিক বুলি ভাবিলে, তলত দিয়া ধৰণৰ তথ্যও পুলিচক দিব পাৰে। যথাসম্ভৱ সম্পূৰ্ণতাৰে বিশদ বিৱৰণ দিলে সদায়ে সহায় পোৱা যায়।

**উদাহৰণ স্বৰূপে:**

- বলপ্ৰয়োগ কৰি **বিবস্ত্ৰ কৰিবলৈ** বা স্পৰ্শ কৰিবলৈ কিবা প্ৰচেষ্টা চলোৱা হৈছিল নেকি
- কোনো **যৌন মন্তব্য,** আৰু/বা **যৌন দাবী কৰা হৈছিল নেকি**
- অভিযুক্তই **আপোনাৰ চলাচল অনুসৰণ** কৰি আছিল নেকি
- অভিযুক্তৰদ্বাৰা **যৌনগন্ধী কিবা ভিডিঅ' বা আন বিষয়বস্তু দেখুওৱা বা প্ৰেৰণ** কৰা হৈছিল নেকি
- এটা বন্দুক বা কোনো প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰৰদ্বাৰা **ভাবুকি দিয়া হৈছিল নেকি**
- **ড্ৰাগছ বা আন কিবা প্ৰকাৰৰ প্ৰলোভন** বলপূৰ্বকভাৱে দিয়া হৈছিল নেকি
- অভিযুক্তই **আক্ৰমণৰ ঘটনাটোৰ ভিডিঅ'গ্ৰাফী** কৰিছিল নেকি
- আক্ৰমণটোৰ বিষয়ে গোচৰ দিলে **ভিডিঅ'টো বিয়পাই দিয়া হ'ব** বুলি অভিযুক্তই **ভাবুকি** দিছিল নেকি

## 22. এখন এজাহাৰ পঞ্জীভুক্ত কৰিবলৈ পুলিচে কি কি কাৰ্য্যপদ্ধতি অনুসৰণ কৰিব লাগে?

CrPC ৰ ধাৰা 154 ত পুলিচে এখন FIR পঞ্জীভুক্ত কৰাৰ সময়ত অনুসৰণ কৰিবলগীয়া কাৰ্য্যপদ্ধতিসমূহৰ তালিকা দিয়া হৈছে। এইবোৰ হ'ল:

**1**

**এগৰাকী মহিলা উত্তৰজীৱীয়ে তেওঁৰ অভিযোগ পঞ্জীয়নৰ বাবে নিজেই পুলিচ ষ্টেছনলৈ গ'লে এগৰাকী মহিলা পুলিচ বিষয়াই তথ্যখিনি লিপিবদ্ধ আৰু অভিযোগটো পঞ্জীভুক্ত কৰিব লাগিব।**





2

আপুনি যদি মৌখিকভাৱে তথ্য দিয়ে, পুলিচ বিষয়াগৰাকীয়ে আপোনাক তথ্যখিনি সবিস্তাৰে বৰ্ণনা কৰিবলৈ ক'বই লাগিব যাতে তেওঁ সেইখিনি পোনপটীয়া আৰু সৰল ভাষাত আপুনি কোৱা কথাখিনিৰ সৈতে যথাসম্ভৱ একেদৰে লিখিব পাৰে।

3

এগৰাকী তথ্য দিয়া বা এটা অভিযোগ কৰা এগৰাকী ব্যক্তি হিচাপে, পুলিচে অভিলেখবদ্ধ কৰা তথ্যখিনি আপোনাক পঢ়ি শুনাব লাগে বুলি দাবী কৰাটো আপোনাৰ অধিকাৰ।






4

এজাহাৰখন সাজু হোৱাৰ লগে লগে তথ্যখিনি দিয়া ব্যক্তিয়ে তাত চহী কৰিবই লাগিব। পুলিচে লিপিবদ্ধ কৰা তথ্যখিনি আপুনি দিয়া বিশদ বিৱৰণৰ সৈতে মিলিছে বুলি আশ্বস্ত হ'লেহে আপুনি তাত চহী কৰা উচিত । মনত ৰাখিব, এজাহাৰখনত আপুনি জনা সকলো কথা থাকিবই লাগিব।

যিসকল লোকে পঢ়িব বা লিখিব নাজানে তেওঁলোকে এজাহাৰখন শুদ্ধকৈ লিপিবদ্ধ হোৱা বুলি নিজে নিশ্চিত হোৱাৰ পাছত তাত বাওঁহাতৰ টিপচহী দিব লাগিব।




**5**

**ততালিকে আৰু বিনামূল্যে এজাহাৰৰ এটা প্ৰতিলিপি পোৱাটো আপোনাৰ অধিকাৰ। পুলিচে নিদিলেও এজাহাৰৰ এটা প্ৰতিলিপি সদায়ে বিচাৰিব।**

**6**

**পুলিচে এজাহাৰৰ তাৰিখ আৰু বিষয়বস্তু পুলিচ থানাৰ ডায়েৰীত লিপিবদ্ধ কৰিবই লাগিব।**




## 23. যৌন অপৰাধসমূহৰ পৰা শিশুসকলৰ সুৰক্ষা অধিনিয়ম (POCSO) আৰু নিয়মাৱলীৰ অধীনত এখন এজাহাৰ পঞ্জীভুক্ত কৰাৰ বাবে কিবা অতিৰিক্ত কাৰ্য্যপদ্ধতি অনুসৰণ কৰিব লাগে নেকি?

লাগে। এটি শিশু উত্তৰজীৱীৰ বিৰুদ্ধে সংঘটিত এটা যৌন অপৰাধৰ বাবে এখন FIR পঞ্জীভুক্ত কৰাৰ সময়ত CrPC ৰ ধাৰা 154 ত নিৰ্দ্দিষ্ট কৰি থোৱা আটাইবোৰ কাৰ্য্যপদ্ধতি অনুসৰণ কৰিবই লাগিব যদিও, POCSO অধিনিয়ম আৰু নিয়মাৱলীত আৰু কিছুমান কাৰ্য্যপদ্ধতিৰ দিহা দিয়া হৈছে শিশু উত্তৰজীৱীসকলক সহায় কৰিবলৈ।

এই অধিনিয়মৰ ধাৰা ১৯ অনুসাৰে, কিশোৰৰ বাবে থকা বিশেষ পুলিচ ইউনিট (SJPU) বা স্থানীয় পুলিচে এটা যৌন অপৰাধৰ অভিযোগ বা তথ্য লাভ কৰাৰ লগে লগে, তেওঁলোকে:

- ইয়াক এটা প্ৰৱিষ্টি সংখ্যা দিব লাগিব আৰু লিপিবদ্ধ কৰি ৰাখিব লাগিব
- সেই লিখাখিনি আপোনাক পঢ়ি শুনাব লাগিব
- কিশোৰৰ বাবে থকা বিশেষ পুলিচ ইউনিট (SJPU) এ ৰখা এখন পঞ্জী বা বহীত বা পুলিচ ষ্টেছনৰ ডায়েৰীত তাক লিপিবদ্ধ কৰিব লাগিব

এটি শিশু উত্তৰজীৱীয়ে ৰিপ'ৰ্ট কৰিলে পুলিচে সৰল ভাষাত এজাহাৰখন লিখিব লাগিব যাতে শিশুটিয়ে তাৰ বিষয়বস্তু বুজি পোৱাটো নিশ্চিত হয়।

যিটো ভাষাত এজাহাৰখন লিখা হৈছে সেই ভাষাটো শিশুটিয়ে বুজি নাপালে পুলিচে এগৰাকী অনুবাদক বা দোভাষীৰ ব্যৱস্থা কৰিব লাগিব।

FIR খন পঞ্জীভুক্ত কৰা পুলিচ বিষয়াগৰাকীয়ে তলত দিয়া কথাখিনি আপোনাক জনাব লাগিব[19]:

- তেওঁৰ নাম আৰু পদবী
- তেওঁৰ ঠিকনা আৰু ফোন নম্বৰ
- তেওঁৰ তত্ত্বাৱধায়ক বিষয়াৰ নাম, পদবী আৰু যোগাযোগৰ বিশদ বিৱৰণ

এজাহাৰখন পঞ্জীভুক্ত কৰাৰ 24 ঘণ্টাৰ ভিতৰত, স্থানীয় পুলিচ বা কিশোৰৰ বাবে থকা বিশেষ পুলিচ ইউনিট (SJPU) এ এখন প্ৰাথমিক মূল্যায়ন প্ৰতিবেদন যুগুত কৰিব লাগিব (পৰিশিষ্ট 1 চাওক) আৰু সেইখন, পৰিচৰ্য্যা তথা সুৰক্ষাৰ প্ৰয়োজন হোৱা শিশুসকলক চোৱা-চিতা কৰা শিশু কল্যাণ সমিতি[20] নামৰ বিশেষ সমিতিলৈ প্ৰেৰণ কৰিব লাগিব।

## 24. পঞ্জীয়নৰ সময়ত সমৰ্থনকাৰী ব্যক্তিসকলৰপৰা সহায় লোৱাৰ এটা অধিকাৰ উত্তৰজীৱীসকলৰ আছেনে?

যৌন অপৰাধসমূহৰ পৰা শিশুসকলৰ সুৰক্ষা (POCSO (POCSO) অধিনিয়মে শিশু উত্তৰজীৱীসকলক সমৰ্থনকাৰী ব্যক্তিসকলৰপৰা সহায় লোৱাৰ অধিকাৰ প্ৰদান কৰিছে।[21] অনা-চৰকাৰী সংস্থা তথা মনোবিজ্ঞান, সামাজিক কৰ্ম, বা শিশু বিকাশ ক্ষেত্ৰৰ বৃত্তিধাৰী বা বিশেষজ্ঞসকলৰ পৰা সেই সহায় লাভ কৰিব পাৰে। সমৰ্থনকাৰী ব্যক্তিসকলৰ কাষ চপাত শিশু উত্তৰজীৱীসকলক সহায় কৰিবলৈ প্ৰতিখন ৰাজ্য চৰকাৰে নিৰ্দেশাৱলী প্ৰস্তুত কৰিব লাগে।

পঞ্জীয়নৰ সময়ত পুলিচে শিশুটিক বা তেওঁৰ অভিভাৱকক পৰামৰ্শদানৰ দৰে সমৰ্থনকাৰী সেৱাসমূহৰ থকাৰ কথা জনাব লাগিব আৰু তেওঁলোকক প্ৰয়োজন হোৱা সমৰ্থনকাৰী সেৱাসমূহৰ সৈতে সংযোগ স্থাপন কৰাত তেওঁলোকক সহায় কৰিবলৈ পদক্ষেপ ল'ব লাগিব।[22]

প্ৰাপ্তবয়স্ক উত্তৰজীৱীয়ে তেওঁলোকৰ প্ৰয়োজন হোৱা যিকোনো সহায় আৰু সমৰ্থন ল'ব পাৰে, কিন্তু তেওঁলোকে সেইবোৰ নিজৰ ফালৰ পৰা বিচাৰিব লাগিব। উদাহৰণ স্বৰূপে দিল্লী আদি কিছুমান ঠাইত 23 অপৰাধ পঞ্জীয়নৰ সময়ত ধৰ্ষণৰ উত্তৰজীৱীসকলক পৰামৰ্শদান কৰা হয়।

**OSC সমূহত পুলিচ সৰলীকৰণ বিষয়াসকল**

**প্ৰতিটো একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰত (OSC) ত এগৰাকী পুলিচ সৰলীকৰণ বিষয়া (PFO) থাকিব লাগিব আৰু তেওঁৰ কাম হ'ব উত্তৰজীৱীসকলক পুলিচৰ সৈতে যোগাযোগ কৰাত বিশেষভাৱে সহায় কৰা। যদিহে এগৰাকী উত্তৰজীৱীয়ে অভিযোগ দাখিল কৰিবলৈ পুলিচ ষ্টেছনলৈ যাবলৈ অপাৰগ হয়, পুলিচ সৰলীকৰণ বিষয়া (PFO) গৰাকীয়ে উত্তৰজীৱীক বুজাই দি আৰু তেওঁৰ সন্মতি আদায় কৰি উত্তৰজীৱীৰ ঘৰ/একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰ/হস্পিটেলৰপৰাই এই কাম কৰিব পৰাটো সুনিশ্চিত কৰাত সহায় কৰিব পাৰে।[24]**

## 25. পঞ্জীয়নৰ সময়ত এগৰাকী অধিবক্তা লোৱাৰ এটা অধিকাৰ উত্তৰজীৱীসকলৰ আছেনে?

**আছে**

দিল্লী ঘৰুৱা কাম কৰোঁতা মহিলা বনাম ভাৰত সংঘৰাষ্ট্ৰ তথা অন্যান্যসকল[25] গোচৰত 1994 চনত উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছিল যে যৌন আক্ৰমণৰ উত্তৰজীৱীসকলে (ধৰ্ষণৰ উত্তৰজীৱীসকলৰ প্ৰসংগ পোনে পোনে উত্থাপন কৰি) অভিযোগ পঞ্জীকৰণৰ সময়ত তেওঁলোকক কিবা প্ৰশ্ন সোধাৰ আগতে আৰু উত্তৰজীৱীক জেৰা কৰি থকাৰ সময়ত পুলিচ ষ্টেছনত এগৰাকী অধিবক্তাক লগ ধৰিবলৈ সক্ষম হ'বই লাগিব। এগৰাকী উত্তৰজীৱীক তেওঁৰ এই অধিকাৰৰ কথা জনোৱাটো পুলিচৰ অৱশ্য-কৰ্তব্য আৰু পুলিচে উত্তৰজীৱীগৰাকীক এই কথা জনোৱা হৈছে বুলি লিখি ৰাখিব লাগিব। লগত অধিবক্তা নথকা উত্তৰজীৱীক দেখুৱাব পৰাকৈ প্ৰতিটো পুলিচ ষ্টেছনতে অধিবক্তাসকলৰ এখন তালিকা থকা উচিত যাতে প্ৰয়োজনসাপেক্ষে সেই তালিকাত থকা এগৰাকী অধিবক্তাৰ সৈতে উত্তৰজীৱীয়ে যোগাযোগ স্থাপন কৰিব পাৰে।

যদি সম্ভৱ হয়, এগৰাকী উত্তৰজীৱীয়ে এটা ন্যায়িক NGO ৰ কাষ চাপিব পাৰে আৰু তেওঁলোকক এনে এগৰাকী ব্যক্তিগত অধিবক্তা দিবলৈ, বা এগৰাকী অধিবক্তাৰ ওচৰলৈ তেওঁলোকৰ নাম পঠিয়াবলৈ ক'ব পাৰে, যিগৰাকী অধিবক্তাৰ মাচুল বহনসাধ্য হয়।[26]

মহিলা আৰু শিশু উত্তৰজীৱীসকল তথা অনুসূচীত জাতি বা জনজাতিৰ সদস্যসকলে এগৰাকী অধিবক্তাৰ বাবে হোৱা খৰচ বহন কৰিব নোৱাৰিলে বিনামূলীয়া ন্যায়িক সাহায্য সেৱা বিচৰাৰ অধিকাৰ থাকে।[27]

যৌন অপৰাধৰ পৰা শিশুসকলৰ সুৰক্ষা (POCSO) অধিনিয়মৰ ধাৰা 40ৰ অধীনত এটি শিশু উত্তৰজীৱী, তেওঁৰ পৰিয়াল বা অভিভাৱকৰ তেওঁলোকৰ পছন্দৰ কোনো অধিবক্তাক নিয়োগ কৰাৰ অধিকাৰ আছে। তেওঁলোকে যদি এগৰাকী অধিবক্তাৰ বাবে হোৱা খৰচ বহন কৰিব নোৱাৰে, তেন্তে তেওঁলোকে তেওঁলোকক বিনামূল্যে এগৰাকী অধিবক্তা দিব লাগে বুলি অনুৰোধ কৰি কোনো ন্যায়িক সেৱা প্ৰাধিকৰণৰ কাষ চাপিব পাৰে। পুলিচে শিশুটিক আৰু/বা তেওঁলোকৰ পিতৃ-মাতৃ বা অভিভাৱকক এই কথা জনাব লাগিব যে এগৰাকী অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্ব লাভ কৰাটো আৰু ন্যায়িক পৰামৰ্শদাতাৰ সেৱা লাভ কৰাটো শিশুটিৰ অধিকাৰ।[28]

## 26. ভুৱা অভিযোগ বুলি কৈ পুলিচে আপোনাৰ অভিযোগ অগ্ৰাহ্য কৰিব পাৰেনে?

**নোৱাৰে, এটা যৌন অপৰাধৰ অভিযোগ পুলিচে ভুল বুলি ক'ব নোৱাৰে**

তেওঁলোকে আনকি যৌন অপৰাধ এটা সংঘটিত হোৱা বুলি উল্লেখ থকা তথ্যৰ/অভিযোগৰ নিৰ্ভৰযোগ্যতা বা বিশ্বাসযোগ্যতাকো প্ৰশ্ন কৰিব নোৱাৰে। পুলিচে অভিযোগটো এখন এজাহাৰ হিচাপে পঞ্জীভুক্ত কৰিব লাগিব। পুলিচ থানাৰ বিষয়াসকলে যদি অভিযোগটো ভুৱা বুলি কয়, তেন্তে উত্তৰজীৱীয়ে জিলাখনৰ পুলিচৰ মুৰব্বীৰ ওচৰত অভিযোগ কৰা উচিত।

## 27. পুলিচে এগৰাকী উত্তৰজীৱীক অভিযোগ প্ৰত্যাহাৰ কৰিবলৈ ক’ব পাৰেনে?

পুলিচে কোনো প্ৰকাৰৰ হস্তক্ষেপ বা “মধ্যস্থতা” কৰিব নাইবা উত্তৰজীৱীক আপোচ কৰিবলৈ ক’ব নোৱাৰে। তেনেকুৱা কৰিলে তেওঁলোকে তেওঁলোকৰ ন্যায়িক কৰ্তব্য উলংঘা কৰা হ’ব। এনেকুৱা হ’লে উত্তৰজীৱীয়ে জিলাখনৰ পুলিচ বিভাগৰ মুৰব্বীক অভিযোগ দিয়া উচিত।

## 28. এটা অভিযোগৰ কিবা সত্য সলনি কৰিবলৈ পুলিচে এগৰাকী উত্তৰজীৱীক বাধ্য কৰিব পাৰেনে?

মৌখিকভাৱে বা লিখিতভাৱে দিয়া তথ্যখিনি যি ধৰণে দিয়া হৈছে সেই ধৰণেই পুলিচে অভিলেখবদ্ধ কৰিব লাগে। কোনো তথ্যই তেওঁলোকে সলনি কৰিব নোৱাৰে বা লঘু কৰিব নোৱাৰে।

## 29. পুলিচে আপোনাক পুলিচ ষ্টেছনত অপেক্ষা কৰিবলৈ বাধ্য কৰিব পাৰেনে?

কিবা যুক্তিসংগত কাৰণতহে আৰু এটা যুক্তিসংগত সময়ৰ বাবেহে তেওঁলোকে আপোনাক অপেক্ষা কৰিবলৈ বাধ্য কৰিব পাৰে, যেনে উত্তৰজীৱীক অপৰাধৰ পঞ্জীয়নৰ কামত সহায় কৰিবলৈ এগৰাকী মহিলা পুলিচ বিষয়া যদি পুলিচ থানালৈ আহি আছে, নাইবা যদি এগৰাকী অধিবক্তা বা অনুবাদক আহিবলৈ আছে। তথ্যখিনি আপোনাৰ মনত স্পষ্ট আৰু সতেজ হৈ থাকোতেই আৰু সেইখিনি নিৰ্ভুলভাৱে অভিলেখবদ্ধ কৰিব পৰা অৱস্থাতেই এজাহাৰখন পঞ্জীভুক্ত কৰাটো নিশ্চিত কৰাটো হ’ল পুলিচৰ এটা কৰ্তব্য। কোনো যথাযথ ব্যাখ্যা বা কাৰণ নোহোৱাকৈ পুলিচে কাকো বহু সময় ধৰি অপেক্ষা কৰিবলৈ দিয়াটো অনুচিত।



## 30. পুলিচে আপোনাক উকা কাগজত চহী কৰিবলৈ ক'লে কৰা উচিতনে?

কেতিয়াও কৰা উচিত নহয়। পুলিচে যিকোনো লোকক উকা কাগজত চহী কৰিবলৈ কোৱাটো, বিশেষকৈ এনে কৰিবলৈ ভাবুকি দিয়া বা বাধ্য কৰাটো এটা আইনবিৰুদ্ধ কথা। পুলিচক দিয়া তথ্য আৰু সত্যসমূহ নির্ভুলভাৱে সন্নিবিষ্ট কৰা বুলি পতিয়ন গ'লেহে আপুনি চূড়ান্ত এজাহাৰখনত চহী কৰিব। পুলিচে উকা কাগজত চহী কৰিবলৈ কলে নকৰিব আৰু তেনে ঘটনাৰ বিষয়ে জিলাখনৰ পুলিচ বিভাগৰ মুৰব্বীৰ ওচৰত অভিযোগ দাখিল কৰিব।

ভাগ D

# পঞ্জীয়ন নকৰাৰ প্ৰতিকাৰসমূহ

## 31. পুলিচ ষ্টেছনত পুলিচে এজাহাৰখন পঞ্জীয়ন নকৰিলে আপুনি কি কৰিব পাৰে?

**এটা যৌন অপৰাধৰ বাবে এখন FIR পঞ্জীয়ন কৰিবলৈ পুলিচ ব্যৰ্থ হোৱাটো অবৈধ কথা।**

যৌন অপৰাধৰ আটাইবোৰৰ গোচৰৰ ক্ষেত্ৰতেই এই কথা প্ৰযোজ্য। তেনেকুৱা হ'লে উত্তৰজীৱীসকলক তেওঁলোকৰ এজাহাৰ পঞ্জীভুক্ত কৰোৱাত সক্ষম কৰি তুলিবলৈ ফৌজদাৰী কাৰ্য্যপদ্ধতি সংহিতা (CrPC )ৰ অধীনত দুটা পৰ্য্যায়ত প্ৰতিকাৰমূলক ব্যৱস্থা আছে।




**1**

**জিলা পুলিচ অধীক্ষকলৈ (জিলাখনৰ পুলিচ মুৰব্বী) এটা লিখিত অভিযোগ প্ৰেৰণ কৰক। পুলিচ অধীক্ষকে (SP) সংশ্লিষ্ট পুলিচ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক এখনFIR পঞ্জীভুক্ত কৰিবলৈ নিৰ্দেশ দিব পাৰে।[29] আপুনি যদি এটা চহৰীয়া এলেকাত থাকে, আপুনি আপোনাৰ অভিযোগ পুলিচ উপায়ুক্তৰ (DCP) ওচৰলৈয়োপ্ৰেৰণ কৰিব পাৰে।**




**2**

**পুলিচক অভিযোগটো পঞ্জীয়ন কৰিবলৈ আৰু অনুসন্ধান আৰম্ভ কৰিবলৈ নিৰ্দেশ দিব লাগে বুলি আদালতক অনুৰোধ কৰি CrPC ৰ ধাৰা 156(3)[30] ৰ অধীনত ক্ষেত্ৰ ন্যায়িক দণ্ডাধীশৰ আদালতত এখন আবেদন দাখিল কৰক।**

**এগৰাকী অধিবক্তাৰ বা NGO ৰ সমৰ্থনকাৰী ব্যক্তিৰপৰা পৰামৰ্শ, বা সহায় ল'ব পাৰিলে, উত্তৰজীৱীসকলৰ কামবোৰ, বিশেষকৈ SP/DCP লৈ কৰা অভিযোগৰ খচৰা প্ৰস্তুত কৰাটো বেছি সহজ হৈ পৰে। দণ্ডাধীশৰ আদালতৰ দ্বাৰস্থ হ'বলৈ এগৰাকী অধিবক্তা লাগিব।**

## 32. আন কোনো প্ৰাধিকৰণৰ ওচৰত আপুনি অভিযোগ কৰিব পাৰেনে?

পাৰে, আপুনি ৰাষ্ট্ৰীয়/ৰাজ্যিক মানৱ অধিকাৰ আয়োগ; ৰাষ্ট্ৰীয়/ৰাজ্যিক মহিলা আয়োগ; বা OSC লৈয়ো এখন লিখিত আবেদন প্ৰেৰণ কৰিব পাৰে।

আপুনি লগতে এটা একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰৰো (OSC) কাষ চাপিব পাৰে যদিহে তেনে এটা কেন্দ্ৰ আপুনি থকা ঠাইৰ ওচৰত আছে। তাৰ পুলিচ সৰলীকৰণ বিষয়া (PFO) গৰাকীয়ে অভিযোগ দাখিল কৰাত আৰু জিলা পুলিচ অধীক্ষকৰ সৈতে পৰৱৰ্তী কাৰ্য্যব্যৱস্থা লোৱাত আপোনাক সহায় কৰিব পাৰে।

## 33. জিলা পুলিচ অধীক্ষক (SP) আৰু দণ্ডাধীশৰ ওচৰত কৰা অভিযোগত কি কি কথা সন্নিৱিষ্ট কৰিলে কামত আহে?

তলৰ তথ্যখিনি থকাটো সুবিধাজনক হ'ব:

- **অভিযোগকাৰী আৰু মূল অভিযোগটোৰ সংক্ষিপ্ত বিৱৰণ** (সম্ভৱ হ'লে মূল লিখিত অভিযোগটোৰ এটা প্ৰতিলিপি; আৰু/বা পুলিচ থানাৰ পৰা পোৱা যিকোনো ৰছিদৰ প্ৰতিলিপি সংলগ্ন কৰিব)
- **গোচৰ দিবলৈ পুলিচ থানালৈ যোৱা তাৰিখৰ কথা উল্লেখ কৰক,** এনে একাধিক তাৰিখ থাকিলে আটাইবোৰ উল্লেখ কৰক
- পঞ্জীয়নৰ প্ৰথমটো প্ৰচেষ্টাৰ **পৰা কিমান সময় পাৰ হল সেই কথা** কথা উল্লেখ কৰক।
- **প্ৰথমতে এটা প্ৰাথমিক অনুসন্ধান কৰিব লাগিব** বুলি অভিযোগকাৰী/উত্তৰজীৱীক কোৱা হৈছিল নেকি সেই কথা উল্লেখ কৰক, আৰু কওক যে এনে কৰাটো ললিতা কুমাৰী গোচৰত দিয়া ৰায়দানৰ[31] উল্লংঘন।
- পঞ্জীয়নৰ প্ৰথমটো প্ৰচেষ্টাৰেপৰা **উত্তৰজীৱীক ভাবুকি বা উপৰ্য্যুপৰি আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে নেকি** সেই কথা উল্লেখ কৰক
- কথা পতা/পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰা **পুলিচ বিষয়া(সকল)ৰ বিশদ বিৱৰণ** – নাম, পদবী, পুলিচ থানা, জিলা
- **পৰিস্থিতি/পুলিচে আপোনাক দিয়া কাৰণসমূহৰ সংক্ষিপ্ত বিৱৰণ**
- পুলিচে কৰা কোনো **অৱমাননাসূচক/ অপ্ৰীতিকৰ** মন্তব্য

ন্যায়িক দণ্ডাধীশলৈ কৰা আবেদনত, SP/DCP লৈ কৰা আবেদনৰ এটা প্ৰতিলিপি সংলগ্ন কৰি দিয়ক, আপোনাক দিয়া সঁহাৰিৰ কথা, আপুনি কিমান বাৰ ভ্ৰমণ কৰিলে সেই কথা, আৰু এজাহাৰ পঞ্জীয়নৰ পৰিৱৰ্তে SP/DCP এ এটা অনুসন্ধানৰহে নিৰ্দেশ দিছে নেকি সেই কথা উল্লেখ কৰক।

SP আৰু দণ্ডাধীশলৈ কৰা দুয়োখন আবেদনতে সংশ্লিষ্ট পুলিচ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক ততালিকে এজাহাৰ পঞ্জীয়নৰ নিৰ্দেশ দিব লাগে বুলি অনুৰোধ কৰক।

## 34. SP/DCP এ এখন এজাহাৰ পঞ্জীভুক্ত কৰাৰ পৰিৱৰ্তে এটা অনুসন্ধানৰ আদেশ দিব পাৰেনে?

পুলিচ অধীক্ষক (SP)/ পুলিচ উপায়ুক্ত (DCP)ক দিয়া অভিযোগত যদি এটা যৌন অপৰাধ সংঘটিত হোৱাৰ কথা সদৰি কৰা হয় তেন্তে এজাহাৰ পঞ্জীয়ন হোৱাটো সুনিশ্চিত কৰিব লাগে বুলি সংশ্লিষ্ট পুলিচ ষ্টেছনৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক নিৰ্দেশ দিয়াটো পুলিচ অধীক্ষক (SP)ৰ পক্ষে বাধ্যতামূলক। পুলিচ অধীক্ষকগৰাকীয়ে এই মৰ্মে এটা লিখিত আদেশ বা নিৰ্দেশনা দিয়াটো সকলোতকৈ ভাল।

## 35. SP/DCP লৈ আপুনি কেনেকৈ এটা অভিযোগ প্ৰেৰণ কৰিব?

অভিযোগটো লিখিত হোৱাটো প্ৰয়োজনীয়। আপুনি সেই অভিযোগ পুলিচ অধীক্ষক (SP)/ পুলিচ উপায়ুক্ত (DCP)ৰ কাৰ্য্যালয়লৈ ৰেজিষ্টাৰ ডাক হিচাপে (প্ৰাপকৰ দ্বাৰা প্ৰাপ্তিস্বীকাৰ ব্যৱস্থাসহিতে) প্ৰেৰণ কৰিব পাৰে। অভিযোগটো ব্যক্তিগতভাৱে দিব পাৰিলে প্ৰক্ৰিয়াটো খৰতকীয়া হয়। জিলাৰ পুলিচ মুৰব্বী হিচাপে, পুলিচ অধীক্ষক (SP)/ পুলিচ উপায়ুক্ত (DCP) ব্যস্ত হৈ থাকে আৰু প্ৰায়েই তেওঁলোকক সহজে কাৰ্য্যালয়ত পোৱা নাযায়। অপেক্ষা কৰাটো এৰাই চলিবলৈ হ'লে, তেওঁলোকক লগ কৰিবৰ বাবে থকা নিৰ্ধাৰিত সময়ছোৱাৰ ভিতৰত বা ফোনেৰে তেওঁলোকক লগ পোৱাটো নিশ্চিত কৰিহে পুলিচ অধীক্ষক (SP)/ পুলিচ উপায়ুক্ত (DC) ৰ ওচৰলৈ যোৱা উচিত।

## 36. আপুনি কেনেকৈ ক্ষেত্ৰ দণ্ডাধীশৰ কাষ চাপিব?

ফৌজদাৰী কাৰ্য্যপদ্ধতি সংহিতা (CrPC)ৰ ধাৰা ১৫৬ (৩)ৰ অধীনত এখন আবেদনৰ খচৰা প্ৰস্তুত কৰিবলৈ আৰু সেই সম্পৰ্কীয় আটাইবোৰ নথিসহিতে সেইখন স্থানীয় দণ্ডাধীশৰ আদালতত দাখিল কৰিবলৈ আপুনি এগৰাকী অধিবক্তা ল'ব লাগিব। আপুনি জিলা ন্যায়িক সেৱা প্ৰাধিকৰণৰ যোগেদি এগৰাকী অধিবক্তা ল'ব পাৰে বা ইচ্ছা কৰিলে এটা অনা-চৰকাৰী সেৱা সংস্থাৰ সহায় লৈ এগৰাকী ব্যক্তিগত অধিবক্তা ল'ব পাৰে। আদালতে শুনানী অনুষ্ঠিত কৰিব আৰু আপোনাক প্ৰতিনিধিত্ব কৰিবলৈ আপোনাৰ অধিবক্তা তাত উপস্থিত থাকিব লাগিব। আদালতে এজাহাৰ পঞ্জীভুক্ত কৰিবলৈ আৰু অনুসন্ধান আৰম্ভ কৰিবলৈ পুলিচক নিৰ্দেশ দিব পাৰে।

## 37. পুলিচে তেওঁৰ নিৰ্দেশ অনুসাৰে কাম নকৰিলে এগৰাকী দণ্ডাধীশে কি কৰিব পাৰে?

ন্যায়িক দণ্ডাধীশে দিয়া নিৰ্দেশ অনুসাৰে পুলিচে কাম নকৰিলে পুলিচৰপৰা প্ৰক্ৰিয়াটোৰ সাম্প্ৰতিক স্থিতি সম্পৰ্কীয় এখন প্ৰতিবেদন আৰু গ্ৰহণ কৰা কাৰ্য্যব্যৱস্থা সম্পৰ্কীয় এখন প্ৰতিবেদন বিচাৰিব লাগে বুলি অনুৰোধ কৰি আপোনাৰ অধিবক্তা আদালতৰ কাষ চাপিব পাৰে আৰু ই আদালতৰ নিৰ্দেশ পালন কৰিবলৈ পুলিচক হেঁচা দিব।

ভাগ E

# পঞ্জীয়ন নকৰাৰ বাবে পুলিচক জবাবদিহি কৰা

## 38. এখন এজাহাৰ হিচাপে আপোনাৰ অভিযোগ পঞ্জীয়ন কৰিবলৈ ব্যৰ্থ হোৱা পুলিচৰ বিৰুদ্ধে আপুনি কাৰ্য্যব্যৱস্থা ল'ব পাৰেনে?

> যৌন অপৰাধৰ ক্ষেত্ৰত এজাহাৰ পঞ্জীয়ন কৰাটো পুলিচৰ বাবে বাধ্যতামূলক। ভাৰতীয় দণ্ডবিধি (IPC), যৌন অপৰাধৰ পৰা শিশুসকলৰ সুৰক্ষা (POCSO) অধিনিয়ম আৰু আতিশয্য অধিনিয়ম অনুসাৰে এনে কৰিবলৈ ব্যৰ্থ হোৱাটো তেওঁলোকৰ বাবে বেআইনী।

ইয়াৰ অৰ্থ হ'ল, আপুনি যদি ইচ্ছা কৰিলে এখন এজাহাৰ পঞ্জীয়ন কৰিবলৈ ব্যৰ্থ হোৱা পুলিচ বিষয়া বা বিষয়াসকলৰ বিৰুদ্ধে এটা ফৌজদাৰী গোচৰ ৰুজু কৰিব পাৰে:

- **যৌন অপৰাধসমূহৰ পঞ্জীয়ন কৰিবলৈ ব্যৰ্থ হোৱাৰ** বাবে ভাৰতীয় দণ্ডবিধি (IPC)ৰ ধাৰা 166 ক (গ) ৰ অধীনত অভিযোগ দাখিল কৰিব পাৰে
- **POCSO অধিনিয়মৰ অধীনত, এটি শিশুৰ বিৰুদ্ধে সংঘটিত যৌন অপৰাধসমূহৰ পঞ্জীয়ন কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবে,** আপুনি এই অধিনিয়মৰ ধাৰা 21(1) ৰ অধীনত এটা অভিযোগ দাখিল কৰিব পাৰে
- **আতিশৰ্য্য অধিনিয়মৰ অধীনত, আপুনি যদি এটা অনুসূচীত জাতি (SC) বা অনুসূচীত জনজাতিৰপৰা (ST) আহিছে আৰু আপুনি অভিযোগ কৰিব খোজা পুলিচ বিষয়াজন যদি SC বা ST নহয়,** তেন্তে আপুনি এই অধিনিয়মৰ ধাৰা 4 ৰ অধীনত এটা অভিযোগ দাখিল কৰিব পাৰে।

## 39. ভাৰতীয় দণ্ড সংহিতাৰ (IPC) ধাৰা166A(c) এ কি কয়?

এই ধাৰাত কোৱা হৈছে তলত দিয়া নিৰ্দ্দিষ্ট অপৰাধসমূহৰ বাবে উঠা অভিযোগসমূহ পঞ্জীভুক্ত কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবে এগৰাকী ৰাজহুৱা সেৱকক 2 বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু জৰিমনা বিহিব পৰা যায়। এটা কথা মন কৰিব যে ধাৰা 166A(c) এ IPC ৰ অধীনত থকা আটাইবোৰ যৌন অপৰাধ সামৰি নলয়। তলত ই সামৰি লোৱা অপৰাধবোৰ উল্লেখ কৰা হৈছে।

**166 A: আইনৰ অধীনত দিয়া নিৰ্দেশ অমান্য কৰা ৰাজহুৱা সেৱক – যিয়েই, এগৰাকী ৰাজহুৱা সেৱক, তেওঁ যদি-**

(c) ফৌজদাৰী কাৰ্য্যপদ্ধতি সংহিতা, 1973 (1974 ৰ 2) ৰ ধাৰা 154ৰ উপ-ধাৰা (1)ৰ অধীনত তলত দিয়া ধাৰাসমূহৰ অধীনৰ শাস্তিযোগ্য ধৰ্তব্য অপৰাধৰ সৈতে সম্পৰ্ক থকা যিকোনো তথ্য অভিলেখবদ্ধ কৰিবলৈ ব্যৰ্থ হয়:

| | |
|---|---|
| 326A | এচিড ব্যৱহাৰ কৰি ইচ্ছাকৃতভাৱে গুৰুতৰ হানি সাধন কৰা কাৰ্য্য |
| 326B | এচিড নিক্ষেপ কৰাৰ বা এচিদ নিক্ষেপ কৰিবলৈ ইচ্ছাকৃতভাৱে চেষ্টা কৰা কাৰ্য্য |
| 354 | নাৰীৰ শালীনতা হানি কৰাৰ অভিপ্ৰায়েৰে কৰা আক্ৰমণ বা অপৰাধমূলক বলপ্ৰয়োগ |

| | |
|---|---|
| 354B | বিবস্ত্ৰ কৰাৰ অভিপ্ৰায়েৰে নাৰীৰ ওপৰত কৰা আক্ৰমণ বা অপৰাধমূলক বলপ্ৰয়োগ |
| 370 | ব্যক্তিৰ অবৈধ সৰবৰাহ |
| 370A | অবৈধভাৱে সৰবৰাহ কৰা এগৰাকী ব্যক্তিৰ শোষণ |
| 376 | ধৰ্ষণ |
| 376A | মৃত্যু ঘটাব পৰা বা দীৰ্ঘস্থায়ী নিষ্ক্ৰিয় অৱস্থাৰ কাৰণ হোৱা কাৰ্য্য |
| 376B | বিচ্ছেদৰ সময়ত স্বামীয়ে পত্নীৰ সৈতে কৰা যৌন সংগম |
| 376C | কৰ্তৃত্বপূৰ্ণ আসনত থকা এজন ব্যক্তিৰদ্বাৰা কৰা যৌন সংগম |
| 376D | দলবদ্ধ ধৰ্ষণ |
| 376E | পুনৰ একেটা অপৰাধ কৰা ব্যক্তি (376, 376 A, 376Dধাৰাৰ অধীনত) |
| 509 | মহিলাৰ শালীনতা হানি কৰিবলৈ ব্যৱহাৰ কৰা শব্দ, অংগীভংগী, কাৰ্য্য |

তেতিয়া তেওঁক শাস্তি হিচাপে দিয়া হ'ব সশ্ৰম কাৰাদণ্ড যিটোৰ ম্যাদ ছমাহতকৈ কম নহ'ব কিন্তু সৰ্বাধিক দুবছৰ পৰ্য্যন্ত হ'ব পাৰে, আৰু তেওঁক জৰিমনাও বিহা হ'ব পাৰে।

## 40. POCSO অধিনিয়মৰ ধাৰা 21(1) এ কি কয়?

ইয়াত ধাৰা 19(2) ৰ অধীনত পুলিচৰ কৰ্তব্যৰ কথা কোৱা হৈছে যাৰদ্বাৰা এটি শিশুৰ বিৰুদ্ধে এটা যৌন অপৰাধ সংঘটিত হোৱা বুলি এটা অভিযোগ বা তথ্য পোৱাৰ লগে লগে এখন এজাহাৰ পঞ্জীভুক্ত কৰাটো SJPU বা স্থানীয় পুলিচৰ বাবে বাধ্যতামূলক কৰা হৈছে। ইয়াত কোৱা হৈছে যে ধাৰা 19(2) ৰ অধীনত এটা অপৰাধ অভিলেখবদ্ধ কৰিবলৈ ব্যৰ্থ হোৱা যিকোনো লোককেই ছমাহ পৰ্য্যন্ত কাৰাদণ্ড, বা জৰিমনা, বা এই দুয়োটা শাস্তিয়েই বিহিব পৰা যায়।

21. এটা গোচৰ দাখিল কৰিবলৈ বা অভিলেখবদ্ধ কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবে শাস্তি – ধাৰা 19 ৰ উপ-ধাৰা (1) বা ধাৰা 20 ৰ অধীনত এটা অপৰাধ সংঘটনৰ কথা ৰিপ'ৰ্ট কৰিবলৈ ব্যৰ্থ হোৱা বা ধাৰা 19 ৰ উপ-ধাৰা (2) ৰ অধীনত এনে অপৰাধ অভিলেখবদ্ধ কৰিবলৈ ব্যৰ্থ হোৱা যিকোনো ব্যক্তিকে, ইয়াৰে যিকোনো এটা বৰ্ণনাৰ বাবে ছমাহ পৰ্য্যন্ত ম্যাদ সম্প্ৰসাৰিত হ'ব পৰা কাৰাদণ্ড বা জৰিমনা বা এই দুয়োটা শাস্তিয়েই বিহা হ'ব পাৰে।

## 41. আতিশয্য অধিনিয়মৰ ধাৰা 4 এ কি কয়?

ধাৰা 4 ত ৰাজহুৱা সেৱকসকলে (পুলিচ বিষয়াসকলকে ধৰি) এই আইনৰ অধীনত পালন কৰিবলগীয়া নিৰ্দ্দিষ্ট কৰ্তব্যসমূহ তালিকাবদ্ধ কৰা হৈছে। এই কৰ্তব্যবোৰৰ ভিতৰত কেইটামান নিৰ্দ্দিষ্ট কৰ্তব্যও পৰে যিবোৰ পুলিচে এখন এজাহাৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ সময়ত অনুসৰণ কৰিবলগীয়া কাৰ্য্যপদ্ধতিৰ অংশ:

- আপুনি **মৌখিকভাৱে তথ্য দিলে পুলিচে সেই তথ্য লিখি** ৰাখিব লাগিব আৰু আপোনাৰ চহী লোৱাৰ আগতে লিখা কথাখিনি আপোনাক পঢ়ি শুনাব লাগিব
- এখন FIR পঞ্জীভুক্ত কৰা আৰু **এই কথা সুনিশ্চিত কৰা যে আতিশৰ্য্য অধিনিয়মৰ আটাইবোৰ সঠিক ধাৰা তাত সন্নিৱিষ্ট কৰা হৈছে**
- পঞ্জীভুক্ত হোৱাৰ লগে লগে **FIR ৰ এটা প্ৰতিলিপি আপোনাক দিয়া**

উল্লেখযোগ্য যে এটা অনুসন্ধানৰ পাছত এগৰাকী ৰাজহুৱা সেৱকে (যিজন কোনো অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ নহয়) যদি এইবোৰ কৰ্তব্য সম্পাদন নকৰাৰ কথা জনা যায় তেন্তে তেওঁক ছমাহৰ পৰা এবছৰ পৰ্যন্ত কাৰাদণ্ড প্ৰদান কৰিব পৰা যায়।

## 42. এগৰাকী পুলিচ বিষয়াৰ বিৰুদ্ধে এটা অভিযোগ দাখিল কৰিবলৈ আপুনি কি কি পদক্ষেপ ল'ব পাৰে?

এগৰাকী উত্তৰজীৱীয়ে এই পদক্ষেপ লোৱাৰ অৰ্থ হৈছে সংশ্লিষ্ট পুলিচ বিষয়াগৰাকীৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰা। এগৰাকী অধিবক্তা, আৰু লগতে এটা অনা-চৰকাৰী সংস্থাৰ সহায় লৈ এই কাম কৰিব পাৰিলে আটাইতকৈ ভাল। আপোনাৰ এজাহাৰ পঞ্জীভুক্ত কৰিবলৈ দায়িত্ব পোৱা কিন্তু তেনে কৰিবলৈ ব্যৰ্থ হোৱা পুলিচ বিষয়া বা বিষয়াসকলৰ নাম আৰু পদবীৰ কথা যদি আপুনি জানে, তেতিয়া ই গোচৰটোৰ ক্ষেত্ৰত সহায়ক হ'ব। আপোনাৰ মূল অভিযোগটোৰ এটা প্ৰতিলিপি আৰু পুলিচৰ পৰা পোৱা যিকোনো ৰছিদ লগত থাকিলেও আপোনাৰ নথি-পত্ৰ শক্তিশালী হ'ব। আপুনি যদি পুলিচ অধীক্ষক (SP)/ পুলিচ উপায়ুক্ত (DCP) অভিযোগ কৰিছে আৰু তেওঁ যদিহে বিষয়টোত হস্তক্ষেপ কৰা নাই বা এজাহাৰ পঞ্জীভুক্ত কৰাটো সুনিশ্চিত কৰিব পৰা নাই, তেন্তে তেওঁৰ নামো আপুনি আপোনাৰ অভিযোগত সন্নিৱিষ্ট কৰিব পাৰে।



**একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰৰ (OSC) পুলিচ সৰলীকৰণ বিষয়া (PFO) গৰাকীয়েও ভাৰতীয় দণ্ডবিধিৰ ধাৰা 166 (ক ) (গ) ৰ অধীনত এগৰাকী পুলিচ বিষয়াৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ কামত মহিলা উত্তৰজীৱীসকলক সহায় কৰিব পাৰে।**[32]

## 43. পুলিচ বিষয়াসকলৰ বিৰুদ্ধে এটা ফৌজদাৰী অভিযোগ দাখিল কৰাত কিবা বিপদাশংকা আছে নেকি?

এনে এটা পদক্ষেপ ললে তাৰ বিপদৰ আশংকা থাকিব পাৰে বুলি জানিব। পুলিচ বিষয়াসকলে আপোনাক ধমকি দিবলৈ বা ভীতিগ্ৰস্ত কৰিবলৈ তেওঁলোকৰ পদবী আৰু ক্ষমতা ব্যৱহাৰ কৰিব পাৰে। যৌন অপৰাধ গোচৰত অনুসন্ধানৰ কামত শিথিলতা আনি তেওঁলোকে তেওঁলোকৰ বিৰুদ্ধে উত্থাপিত অভিযোগ প্ৰত্যাহাৰ কৰাৰ বাবে আপোনাক পতিয়ন নিয়াবলৈ চেষ্টা কৰিব পাৰে। মনত ৰাখিব যে আইনী প্ৰতিকাৰ বিচৰাৰ পৰা আপোনাক বাৰণ কৰিবলৈ যিকোনো প্ৰকাৰৰ বলপ্ৰয়োগ, ভাবুকি বা জোৰ-জৱৰদস্তি কৰা কাৰ্য্য অবৈধ।

এনেকুৱা ঘটনা যাতে নঘটে আৰু পুলিচৰ বিৰুদ্ধে কৰা অভিযোগৰ দ্বাৰা যাতে যৌন অপৰাধটোৰ অনুসন্ধান প্ৰভাৱান্বিত নহয় তাক পুলিচ বিভাগে সুনিশ্চিত কৰা উচিত। কিন্তু ইয়াত জড়িত হৈ থকা পুলিচ বিষয়াসকলে, বিশেষকৈ তেওঁলোক যদি একেটা পুলিচ ষ্টেছনৰে হয়, তেন্তে ইজনে-সিজনক সুৰক্ষা দিব খুজিব পাৰে।

এগৰাকী অধিবক্তাৰ বা তেওঁলোকে বিশ্বাসত ল'ব পৰা এগৰাকী সহায়কাৰী ব্যক্তিৰ পৰামৰ্শ ল'ব পৰাটো এগৰাকী উত্তৰজীৱীৰ বাবে গুৰুত্বপূৰ্ণ হ'ব।

আন এটা ভাল ৰণকৌশল হ'ব পাৰে CrPC ৰ ধাৰা 156(3) ৰ অধীনত কৰা আবেদনত এই কথাৰ প্ৰতি দণ্ডাধীশৰ আদালতৰ দৃষ্টি আকৰ্ষণ কৰা যে FIR পঞ্জীভুক্ত কৰিবলৈ বিলম্ব ঘটোৱা/অস্বীকাৰ কৰাৰ বাবে পুলিচৰ বিৰুদ্ধে আইনী ব্যৱস্থা ল'বই লাগিব। ইয়াৰদ্বাৰা আদালতক ইয়াৰ নিজা উদ্যম তথা স্বাভাৱিক ক্ষমতাৰ অধীনত অভিযোগ দাখিল কৰিবলৈ প্ৰত্যয় নিয়াব পৰা যায়। এনে অৱস্থাত উত্তৰজীৱীয়ে নিজে আগভাগ ল'বলগীয়া নোহোৱাকৈ এটা সুবিধাজনক দূৰত্বত অৱস্থান কৰিব পাৰে। অৱশ্যে, উত্তৰজীৱীক তেতিয়াও এগৰাকী সাক্ষী হিচাপে গণ্য কৰা হ'ব আৰু অনুসন্ধানত ভাগ ল'বলৈ কোৱা হ'ব।

# অন্তিম টোকাসমূহ

1. ইয়াৰ কিছুমান শব্দাৱলীৰ ভিত্তি হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰ-স্থিত নেশ্যনেল ছেক্সুৱেল ভায়'লেন্স ৰীছ'চ চেণ্টাৰৰ এইখন তথ্য-পত্ৰ: **https://www.nsvrc.org/sites/default/files/Publications_NSVRC_Factsheet_What-is-sexual-violence_1.pdf**
2. বিশ্ব স্বাস্থ্য সংস্থা (2002), "ৱৰ্ল্ড ৰিপ'ৰ্ট অন ভায়'লেন্স এণ্ড হেল্থ", সম্পাদনাইটিয়েন জী. ক্ৰুগ, লিণ্ডা এল. ডালবাৰ্গ, জে'মছ এ. মাৰ্চি, এন্থনি বী. জোই আৰু ৰাফেইল ল'জানো, পৃষ্ঠা 149, **https://www.who.int/violence_injury_prevention/violence/world_report/en/full_en.pdf**
3. POCSO অধিনিয়মৰ ধাৰা 2(1)(d) ত ইয়াৰ সংজ্ঞা দিয়া হৈছে ওঠৰ বছৰৰ অনুৰ্ধৰ যিকোনো ব্যক্তি হিচাপে
4. ফৌজদাৰী কাৰ্য্যপদ্ধতি সংহিতা, 1973 ৰ প্ৰথম অনুসূচীৰ ভাগ 2 অনুসাৰে; লগতে চাওক সন্তোষ কুমাৰ মণ্ডল বনাম ৰাষ্ট্ৰ, জামিন আবেদন সংখ্যা 1763 / 2016,দিল্লী উচ্চ ন্যায়ালয় ( 28 ছেপ্টেম্বৰ, 2016) SCCঅনলাইন ডেল 5378 ত দিল্লী উচ্চ ন্যায়ালয়ে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা অধিনিয়মত (POCSO) ত অপৰাধসমূহৰ প্ৰকৃতি সম্পৰ্কে দিয়া ব্যাখ্যা, য'ত আদালতে উল্লেখ কৰিছিলঃ "এইদৰে ধাৰা 12কে ধৰি যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা (POCSO) অধিনিয়মৰ অধীনত শাস্তিযোগ্য অপৰাধসমূহ হ'ল ধৰ্তব্য আৰু জামিনবিহীন।"
5. এই আটাইবোৰ পৰামৰ্শ লোৱা হৈছেঃ লয়াৰ্ছ কালেক্টিভ উইমেন্স ৰাইটছ ইনিচিয়েটিভ (2014), এনগেজিং উইথ দ্য ক্ৰিমিনেল জাষ্টিচ ছিষ্টেমঃ আ গাইড ফৰ ছাৰ্ভাইভ'ছ অব ছেক্সুৱেল ভায়'লেন্স, পৃষ্ঠা 9-10, **http://www.lawyerscollective.org/wp-content/uploads/2014/04/Dos-and-Donts.pdf**
6. নিয়ম 4(2), যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা নিয়মাৱলী, 2020
7. গৃহ পৰিক্ৰমা মন্ত্ৰালয়, ভাৰত চৰকাৰ, পৰামৰ্শ (2013), ক্ষেত্ৰীয় ক্ষেত্ৰাধিকাৰ নিৰ্বিশেষে FIR ৰ পঞ্জীয়ন আৰু জিৰ'FIR, 10 : **https://www.mha.gov.in/sites/default/files/AdvisoryFIR-290513.pdf** 7 আগষ্ট, 2020 ত পোৱা প্ৰৱেশাধিকাৰ অনুসাৰে।
8. "ভুক্তভোগীৰ প্ৰতি কৰা ব্যৱহাৰঃ ভাৰতীয় দণ্ডবিধিৰ ধাৰা 326A, 376, 376A, 376B, 376C, 376D বা ধাৰা 376E ৰ অধীনত সামৰি লোৱা যিকোনো অপৰাধৰ ভুক্তভোগীসকলক কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, স্থানীয় নিকায়সমূহ বা আন কোনো ব্যক্তিয়ে পৰিচালনা কৰা ৰাজহুৱা বা ব্যক্তিগত খণ্ডৰ আটাইবোৰ হস্পিটেলে ততালিকে বিনামূলীয়া প্ৰাথমিক বা ডাক্তৰী পৰিচৰ্য্যা প্ৰদান কৰিব লাগিব আৰু এনে ঘটনাৰ কথা তৎক্ষণাৎ পুলিচক জনাব লাগিব।"
9. ধাৰা 19(5), POCSO অধিনিয়ম- "য'ত বিশেষ কিশোৰ পুলিচ ইউনিট বা স্থানীয় পুলিচ এই কথাত সন্তুষ্ট হয় যে যি শিশুৰ বিৰুদ্ধে এটা অপৰাধ সংঘটিত কৰা হৈছে তেওঁক যদি পৰিচৰ্য্যা বা সুৰক্ষাৰ প্ৰয়োজন হৈছে, তেন্তে ই, কাৰণবোৰ লিখিতভাৱে অভিলেখবদ্ধ কৰি উঠি, ৰিপ'ৰ্ট দাখিল কৰাৰ 24 ঘণ্টাৰ ভিতৰতে শিশুটিক আশ্ৰয় গৃহ বা নিকটৱৰ্তী হস্পিটেলত ভৰ্তি কৰাকে ধৰি, শিশুটিক নিৰ্ধাৰিত কৰি দিয়া মতে, পৰিচৰ্যা আৰু সুৰক্ষা প্ৰদান কৰিবলৈ ততালিকে ব্যৱস্থা গ্ৰহণ কৰিব।"
10. মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়, "একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰ: ৰাজ্য চৰকাৰসমূহ/কেন্দ্ৰীয় প্ৰশাসকসকলৰ বাবে কাৰ্য্যৰূপায়ণৰ নিৰ্দেশনাৱলী", ডিচেম্বৰ, 2017, পৃষ্ঠা 1-2; **https://wcd.nic.in/sites/default/files/OSC_G.pdf** 21 আগষ্ট, 2020 ত পোৱা তথ্য অনুসৰি।
11. একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰ সম্পৰ্কে মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে যুগুত কৰাডাইৰেক্টৰী; 19 মাৰ্চ 2020; **https://wcd.nic.in/sites/default/files/683OSCDirectory-19.03.2020_0.pdf** 24 August, 2020 ত পোৱা প্ৰৱেশাধিকাৰ অনুসৰি।
12. মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়, "একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰ: ৰাজ্য চৰকাৰসমূহ/কেন্দ্ৰীয় প্ৰশাসক সকলৰ বাবে কাৰ্য্যৰূপায়ণৰ নিৰ্দেশনাৱলী", ডিচেম্বৰ, 2017, পৃষ্ঠা 4; **https://wcd.nic.in/sites/default/files/OSC_G.pdf** 21 আগষ্ট, 2020 তাৰিখে পোৱা তথ্য অনুসৰি।

# অন্তিম টোকাসমূহ

13. এইকেইটা হ’ল ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা 354, 354A, 354B, 354C, 354D, 376, 376A, 376B, 376C, 376D, 376E, আৰু 509
14. ধাৰা 154(1)(c), CrPC: “ধাৰা 164 ৰ উপ-ধাৰা (5A) ৰ অধীনত পুলিচ বিষয়াগৰাকীয়ে যিমান পাৰে সিমান সোনকালে ব্যক্তিগৰাকীৰ বিবৃতি এগৰাকী ন্যায়িক দণ্ডাধীশৰদ্বাৰা অভিলেখবদ্ধ কৰোৱাব।”
15. ধাৰা 154, CrPC
16. ললিতাকুমাৰী বনাম উত্তৰপ্ৰদেশ চৰকাৰ আৰু অন্যান্যসকল AIR 2014 SC 187
17. নিয়ম 4(3), যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা নিয়মাৱলী, 2020
18. ললিতাকুমাৰী বনাম উত্তৰপ্ৰদেশ চৰকাৰ আৰু অন্যান্যসকল AIR 2014 SC 187
19. নিয়ম 4(1), যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা নিয়মাৱলী, 2020
20. নিয়ম 4(13), যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা নিয়মাৱলী, 2020
21. ধাৰা 39, POCSO অধিনিয়ম
22. নিয়ম 4(3)(e), যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা নিয়মাৱলী, 2020
23. দিল্লী উচ্চ ন্যায়ালয়ে দিয়া তলৰ ৰায়দানটো চাওক: দিল্লী মহিলা আয়োগ বনাম দিল্লী পুলিচ 2009 SCC অনলাইন ডেল 1057
24. মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়, “একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰ: ৰাজ্য চৰকাৰসমূহ/কেন্দ্ৰীয় প্ৰশাসকসকলৰ বাবে কাৰ্য্যৰূপায়ণৰ নিৰ্দেশনাৱলী”, ডিচেম্বৰ, 2017, পৃষ্ঠা 7-8 **https://wcd.nic.in/sites/default/files/OSC_G.pdf** 21 আগষ্ট, 2020 ত পোৱা প্ৰৱেশাধিকাৰ অনুসৰি।
25. 1995 SCC (1) 14
26. লয়াৰ্ছ কালেক্টিভৰদ্বাৰা প্ৰকাশিত এনগেজিং উইথ ক্ৰিমিনেল জাষ্টিচ ছিষ্টেম: আ গাইড ফৰ ছাৰ্ভাইভ’ছ অৱ ছেক্সুৱেল ভায়’লেন্স, পৃষ্ঠা 20
27. নিয়ম 4(3)(f), যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা নিয়মাৱলী, 2020
28. CrPC ৰ ধাৰা 154(3) ত উল্লেখ কৰা হৈছে: “উপ-ধাৰা (1) ত উল্লেখ থকা মতে এখন পুলিচ থানাৰ তথ্যৰ অভিলেখবদ্ধকৰণৰ দায়িত্বত থকা ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ অস্বীকাৰকৰণৰ ফলত ক্ষুণ্ণ যিকোনো ব্যক্তিয়ে এনে তথ্যৰ সাৰমৰ্ম, লিখিতভাৱে আৰু ডাকযোগে, সংশ্লিষ্ট পুলিচ অধীক্ষকলৈ প্ৰেৰণ কৰিব পাৰে, যিগৰাকীয়ে যদি নিজে এই কথাত সন্তুষ্ট হয় যে এনে অনুসন্ধানে এটা সংজ্ঞানাত্মক অপৰাধৰ সংঘটন সদৰি কৰিছে, তেওঁ, এই সংহিতাত প্ৰদান কৰা ধৰণ অনুসাৰে, হয় নিজে গোচৰটোৰ অনুসন্ধান কৰিব বা তেওঁৰ অধীনস্থ কোনো পুলিচ বিষয়াৰদ্বাৰা এটা অনুসন্ধানৰ নিৰ্দেশ দিব, আৰু এনে এগৰাকী পুলিচ বিষয়াৰ সেই অপৰাধটোৰ সৈতে সম্পৰ্কিত পুলিচ থানাৰ এগৰাকী ভাৰপ্ৰাপ্ত বিষয়াৰ আটাইবোৰ অধিকাৰ থাকিব।”
29. ধাৰা 156(3) ত কোৱা হৈছে: “ধাৰা 190 ৰ অধীনত সবলীকৰণ কৰা হোৱা যিকোনো দজণ্ডাধীশে ওপৰত উল্লেখ কৰা ধৰণৰ এটা অনুসন্ধানৰ নিৰ্দেশ দিব পাৰে।”
30. ললিতা কুমাৰী বনাম উত্তৰপ্ৰদেশ চৰকাৰ আৰু অন্যান্যসকল AIR 2014 SC 187
31. ললিতাকুমাৰী বনাম উত্তৰপ্ৰদেশ চৰকাৰ আৰু অন্যান্যসকল AIR 2014 SC 187
32. মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়, “একে ঠাইতে সংকট সমাধান কৰিব পৰা কেন্দ্ৰ: ৰাজ্য চৰকাৰসমূহ/কেন্দ্ৰীয় প্ৰশাসকসকলৰ বাবে কাৰ্য্যৰূপায়ণৰ নিৰ্দেশনাৱলী”, ডিচেম্বৰ, 2017, পৃষ্ঠা 1-2; **https://wcd.nic.in/sites/default/files/OSC_G.pdf** 14 ছেপ্টেম্বৰ, 2020 ত পোৱা প্ৰৱেশাধিকাৰ অনুসৰি।

# পৰিশিষ্ট 1

## প্ৰাথমিক মূল্যাংকন প্ৰতিবেদন[1]

| স্থিৰাংকসমূহ | মন্তব্য |
|---|---|
| 1 ভুক্তভোগীৰ বয়স | |
| 2 অপৰাধীৰ সৈতে শিশুটিৰ সম্পৰ্ক | |
| 3 আতিশৰ্য্যৰ প্ৰকাৰ আৰু অপৰাধৰ গম্ভীৰতা | |
| 4 লভ্য বিশদ বিৱৰণ আৰু শিশুটিয়ে কষ্ট ভোগা মানসিক আৰু শাৰীৰিক ক্ষতি/আঘাতৰ তীব্ৰতা | |
| 5 শিশুটি বাৰু বিকলাংগ নেকি (শাৰীৰিকভাৱে, মানসিকভাৱে, বৌদ্ধিকভাৱে) | |
| 6 ভুক্তভোগীৰ পিতৃ-মাতৃৰ অৰ্থনৈতিক স্থিতি, শিশুটিৰ পৰিয়ালৰ মুঠ সদস্য সংখ্যা, শিশুটিৰ পিতৃ-মাতৃৰ জীৱিকা আৰু পৰিয়ালৰ মাহিলী আয় সম্পৰ্কীয় বিশদ বিৱৰণ | |
| 7 সাম্প্ৰতিক গোচৰৰ ঘটনাটোৰ বাবে ভুক্তভোগীয়ে ইতিমধ্যে চিকিৎসীয় উপচাৰ লাভ কৰিছে নে লাভ কৰি আছে বা অপৰাধটোৰ বাবে ভুক্তভোগীক চিকিৎসীয় উপচাৰ লাগে নেকি | |
| 8 মানসিক অভিঘাত, দৈহিক আঘাত, চিকিৎসীয় উপচাৰ, অনুসন্ধান আৰু বিচাৰকাৰ্য্য বা আন কাৰণত স্কুলৰপৰা অনুপস্থিতিকে ধৰি এই অপৰাধৰ পৰিণতিত কিবা শৈক্ষিক সুযোগৰ ক্ষতি হৈছে নেকি? | |
| 9 এই আতিশৰ্য্য একক বিশিষ্ট ঘটনা আছিল নে এছোৱা সময় ধৰি এই আতিশৰ্য্য সংঘটিত হৈ আছিল? | |
| 10 শিশুটিৰ পিতৃ-মাতৃয়ে কিবা চিকিৎসীয় উপচাৰ কৰোৱাই আছে নেকি বা তেওঁলোকৰ আন কিবা স্বাস্থ্য সমস্যা আছে নেকি? | |
| 11 যদি লভ্য হয় শিশুটিৰ আধাৰ নম্বৰকি? | |

**তাৰিখ: ..................................................** 

**পুলিচ ষ্টেছনৰ ভাৰপ্ৰাপ্ত বিষয়া**

[1]যৌন অপৰাধসমূহৰপৰা শিশুসকলৰ সুৰক্ষা নিয়মাৱলী, 2020 মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয় **https://wcd.nic.in/sites/default/files/POCSO%20Rules%20merged.pdf** 10 নৱেম্বৰ, 2020 ত প্ৰাপ্ত

# CHRI ৰ কাৰ্য্যসূচীসমূহ

CHRI ৰ প্ৰয়াস হ'ল কমনৱেলথ আৰু ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহক মানৱ অধিকাৰৰ অনুশীলন, পাৰগম্যতা তথা বহনক্ষম বিকাশ লক্ষ্যসমূহৰ (SDGs) প্ৰতি দায়বদ্ধতাৰ সন্দৰ্ভত উচ্চ মানদণ্ড বজাই ৰখাৰ বাবে উদ্বুদ্ধ কৰা। CHRI এ নিৰ্দ্দিষ্টভাৱে কাম কৰা ক্ষেত্ৰসমূহ হ'ল মানৱ অধিকাৰ সম্পৰ্কীয় কৌশলগত উদ্যম আৰু পক্ষপোষণ, ন্যায়ত প্ৰৱেশাধিকাৰ তথা তথ্যত প্ৰৱেশাধিকাৰ। ইয়াৰ গৱেষণা, প্ৰকাশন, কৰ্মশালা, বিশ্লেষণ, একত্ৰীকৰণ, প্ৰচাৰ-প্ৰসাৰ তথা পক্ষপোষণে তলত দিয়া মূল কাৰ্য্যসূচীসমূহকে দাঙি ধৰে:

## ন্যায়ত প্ৰৱেশাধিকাৰ(ATJ)*

***পুলিচ সংস্কাৰ:** ভালেমান দেশত নাগৰিকৰ অধিকাৰসমূহৰ সুৰক্ষাকাৰীৰ পৰিৱৰ্তে পুলিচৰ ভাবমূৰ্তি হ'ল ৰাষ্ট্ৰযন্ত্ৰৰ শোষণকাৰী যতন হিচাপেহে, যাৰ পৰিণতিত অধিকাৰ উল্লংঘন কৰাৰ আৰু ন্যায় অস্বীকাৰ কৰাৰ ব্যাপক ঘটনা ঘটা পৰিলক্ষিত হয়। CHRI এ উত্তৰণ ঘটায় পদ্ধতিগত সংস্কাৰৰ যাতে শাসন ব্যৱস্থাৰ বলবৎকাৰী নহৈ পুলিচে আইনৰ শাসনৰ সমৰ্থক হিচাপে কাম কৰিব পাৰে। ভাৰত আৰু দক্ষিণ এচিয়াত CHRI ৰ কাৰ্য্যসূচীসমূহৰ উদ্দেশ্য হ'ল পুলিচ সংস্কাৰৰ বাবে ৰাইজৰ সমৰ্থন একগোট কৰা আৰু এনেবোৰ বিষয়ত নাগৰিক সমাজৰ যোগদান শক্তিশালী কৰা। টাঞ্জানিয়া আৰু ঘানাত CHRI এ পৰীক্ষা কৰে পুলিচ জবাবদিহিতা আৰু নাগৰিক সমাজৰ সৈতে থকা ইয়াৰ সম্পৰ্ক।

***কাৰাগাৰ সংস্কাৰ:** কাৰাগাৰৰ ক্ষেত্ৰত কৰা CHRI ৰ কামবোৰৰ উদ্দেশ্য হ'ল পৰম্পৰাগতভাৱে আবদ্ধ এটা প্ৰণালীৰ পাৰগম্যতা বৃদ্ধি কৰা আৰু চলি থকা অনিয়মসমূহ উন্মুক্ত কৰা। যিবোৰ পদ্ধতিগত বিফলতাৰ পৰিণতিত কাৰাগাৰবোৰত অত্যধিক ভীৰ তথা অগ্ৰহণযোগ্যভাৱে দীঘল বিচাৰ-পূৰ্ব আটকাধীন অৱস্থা আৰু সময় উকলি যোৱাৰ পাছতে কাৰাগাৰত থাকিবলগীয়া হোৱা অৱস্থা দেখা যায় তেনেবোৰ বিফলতাৰ ওপৰত আলোকপাত কৰাৰ বাহিৰেও, CHRI এ নিজকে ব্যস্ত ৰাখে ন্যায়িক সাহায্যমূলক হস্তক্ষেপ আৰু পক্ষপোষণৰ কামত। এইবোৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধিব পৰা গ'লে কাৰাগাৰসমূহৰ প্ৰশাসন ব্যৱস্থা তথা ন্যায়ৰ অৱস্থাসমূহত চকুতলগা উন্নতি সম্ভৱ হ'ব পাৰে।

## তথ্যত প্ৰৱেশাধিকাৰ

***তথ্য জনাৰ অধিকাৰ:** তথ্যত প্ৰৱেশাধিকাৰৰ উত্তৰণত CHRI ৰ বিশেষজ্ঞতাক বহুলভাৱে স্বীকৃতি দিয়া হৈছে। ই দেশবোৰক কাৰ্য্যকৰী তথ্য জনাৰ অধিকাৰ (RTI) আইন অনুমোদিত কৰিবলৈ আৰু কাৰ্য্যৰূপায়িত কৰিবলৈ উদ্বুদ্ধ কৰে। ই নিয়মীয়াকৈ বিধানৰ বিকাশত সহায় আগবঢ়ায় আৰু বিশেষকৈ ভাৰত, শ্ৰীলংকা, আফগানিস্তান, বাংলাদেশ, ঘানা আৰু কেনিয়াত RTI আইনসমূহৰ আৰু তাৰ কাৰ্য্যকৰণৰ উত্তৰণত সফলতা লাভ কৰি আহিছে। ঘানাত, CHRI এ RTI নাগৰিক সমাজৰ মিত্ৰজোঁটৰ সচিবালয় হিচাপে, সেই আইন প্ৰণয়ণৰ বাবে চলোৱা প্ৰচেষ্টাসমূহৰ একত্ৰীকৰণ কৰিছিল; এটা দীঘলীয়া সংগ্ৰামৰ অন্তত 2019 চনত সফলতা পোৱা গৈছিল। আইনৰ খচৰা প্ৰস্তুত কৰা তথা প্ৰথমবাৰলৈ তেনে আইন ৰূপায়ণ কৰা এই দুয়োক্ষেত্ৰতে CHRI এ নিয়মীয়াকৈ নতুন বিধানসমূহৰ সমালোচনাত্মক অধ্যয়ন চলায় যাতে চৰকাৰ তথা নাগৰিক সমাজলৈ শ্ৰেষ্ঠ প্ৰথা তথা জ্ঞান কঢ়িয়াই আনিব পৰা যায়। ইয়াৰ আছে অত্যন্ত প্ৰতিকূল পৰিস্থিতিত আৰু লগতে সাংস্কৃতিকভাৱে ভিন্ন ক্ষেত্ৰাধিকাৰত কাম কৰাৰ অভিজ্ঞতা আৰু নতুন RTI আইনৰ বিৱৰ্তন ঘটাব খোজা দেশবোৰক ই প্ৰদান কৰে মূল্যৱান অন্তৰ্দৃষ্টি।

***ছাউথ এচিয়া মীডিয়া ডিফেণ্ডাৰ্ছ নেটৱৰ্ক (SAMDEN):** দক্ষিণ এচিয়াত সংবাদ মাধ্যমৰ কৰ্মীসকলৰ ওপৰত চলা বৰ্ধিত আক্ৰমণ তথা বাক আৰু অভিব্যক্তিৰ স্বাধীনতাৰ ওপৰত পৰা হেঁচা এই দুটা সমস্যা লৈ চিন্তা-চৰ্চা কৰিবৰ বাবেCHRIএসংবাদ মাধ্যমৰ পেছাদাৰী লোকসকলৰবাবেএটা আঞ্চলিক নেটৱৰ্কৰ বিকাশ ঘটাইছে। ছাউথ এচিয়া মীডিয়া ডিফেণ্ডাৰ্ছ নেটৱৰ্ক (SAMDEN) নামেৰেপৰিচিত এই নেটৱৰ্কে এই কথাত স্বীকৃতি দিয়ে যে এনে ধৰণৰ স্বাধীনতা অবিভাজ্য আৰু এইবোৰৰ কোনো ৰাজনৈতিক সীমা থাকিব নোৱাৰে। বৈষম্য আৰু দাবী-ধমকিৰ সমুখীন হোৱাৰ অভিজ্ঞতা থকা সংবাদ জগতৰ বৃত্তিধাৰী লোকসকলৰ এটা মূল গোট কাণ্ডাৰী হিচাপে থকা, SAMDEN এ সংবাদ মাধ্যমৰ ওপৰত পৰা হেঁচা, সংবাদ জগতৰ সংকুচিত স্থান আৰু সংবাদ মাধ্যমৰ স্বাধীনতা আদি বিষয়ত আলোকপাত কৰিবলৈ প্ৰয়োজনীয় দৃষ্টিকোণসমূহৰ বিকাশ ঘটাইছে। সহক্ৰিয়াৰ এটা ক্ষেত্ৰ হৈছে SAMDEN ক RTI আন্দোলন আৰু কৰ্মীসকলৰ সৈতে সংলগ্ন কৰা।

## আন্তঃৰাষ্ট্ৰীয় পক্ষপোষণ আৰু কাৰ্যসূচী

ইজিয়াৰ ছেইড দে'ন ডান (কোৱাটো সহজ কৰাটোহে টান) নামৰ ইয়াৰ ধ্বজাবাহী প্ৰতিবেদনৰ জৰিয়তে, CHRI এ কমনৱেলথৰ সদস্য ৰাষ্ট্ৰসমূহত, বিশেষকৈ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদত, মানৱ অধিকাৰ সম্পৰ্কীয় বাধ্যবাধকতাসমূহৰ পালন কৰা হৈছেনে নাই নিৰীক্ষণ কৰে। মানৱ অধিকাৰৰ প্ৰত্যাহ্বানসমূহৰ কেউকাষে অৱস্থান গ্ৰহণ কৰি ই পক্ষপোষণ কৰে আৰু UNHRC, কমনৱেলথ সচিবালয়, কমনৱেলথ মন্ত্ৰী পৰ্য্যায়ৰ কাৰ্য্য গোট আৰু মানৱ তথা ৰাইজৰ অধিকাৰৰ বাবে থকা আফ্ৰিকীয় আয়োগকে ধৰি আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় নিকায়সমূহৰ সৈতে কৌশলগত সহযোগিতাৰে কাম কৰে। ই লোৱা সাম্প্ৰতিক কৌশলগত উদ্যমসমূহৰ ভিতৰত পৰে SDG 16, SDG 8.7 লক্ষ্যৰ পক্ষপোষণ, কমনৱেলথ সদস্য ৰাষ্ট্ৰসমূহক নিৰীক্ষণ আৰু সিবিলাকে কৰা কামৰ বাবে জবাবদিহি কৰা তথা সাৰ্বজনীন পৰ্য্যাবৃত্ত পুনৰীক্ষণ। মানৱ অধিকাৰৰ সুৰক্ষা প্ৰদানকাৰীসকলৰ হৈ আৰু নাগৰিক সমাজক প্ৰাপ্য স্থান প্ৰদানৰ বাবে আমি পক্ষপোষণ কৰোঁ।

## SDG 8.7: দাসত্বৰ সমসাময়িক ৰূপবোৰ

যোৱা2016 চনৰেপৰা, CHRIএ ৰাষ্ট্ৰসংঘৰ বহনক্ষম বিকাশ লক্ষ্য (SDG) সমূহৰ 8.7 নম্বৰৰ লক্ষ্যত উপনীত হোৱাৰ বাবে দায়বদ্ধতা প্ৰকাশ কৰি "বলপূৰ্বক শ্ৰম নিৰ্মূল কৰা, আধুনিক দাসত্ব তথা মানৱৰ অবৈধ সৰবৰাহ সমাপ্ত কৰা আৰু শিশু সৈনিকৰ নিযুক্তি তথা ব্যৱহাৰকে ধৰি, শিশু শ্ৰমিক প্ৰথাৰ নিকৃষ্টতম ৰূপবোৰৰ নিষিদ্ধকৰণ আৰু নিৰ্মূলকৰণ সুনিশ্চিত কৰা, আৰু 2025 চনৰ ভিতৰতে আটাইবোৰ ৰূপত শিশু শ্ৰমিক প্ৰথাৰ সমাপ্তি ঘটাৰ বাবে তৎকালীন আৰু কাৰ্য্যকৰী ব্যৱস্থা"ল'বলৈ কমনৱেলথক হেঁচা দি আহিছে। পাঁচটা অঞ্চলৰ আটাইকেইটাৰে পৰা মুঠ 60 টা NGOৰ সদস্যতাৰে, এই নেটৱৰ্কে ৰাষ্ট্ৰ-নিৰ্দ্দিষ্ট আৰু বিষয়গত সমস্যাসমূহ আৰু ভাল প্ৰথাসমূহত জ্ঞানৰ ভাগ-বাটোৱাৰাৰ মঞ্চ হিচাপে কাম কৰে, আৰু সামূহিক পক্ষপোষণ শক্তিশালী কৰে।

এইখন পথ-নির্দেশিকাই যৌন হিংসা পীড়িত প্রাপ্তবয়স্ক আৰু শিশু উত্তৰজীৱীসকলক অভিযোগ ৰিপ'ৰ্ট কৰাত সহায় কৰিবলৈ প্ৰয়োজনীয় তথ্য প্ৰদান কৰে আৰু পঞ্জীয়ন প্ৰক্ৰিয়াৰ মাজেদি পাৰ হ'বলৈ তেওঁলোকক পথ দেখুৱায়। যদি তেওঁলোকৰ অভিযোগসমূহ পুলিচ ষ্টেছনত প্ৰথমে অস্বীকাৰ কৰা হয়, ই তেওঁলোকক জনায় সেইবোৰ পঞ্জীভুক্ত কৰোৱাবলৈ থকা প্ৰতিকাৰসমূহৰ কথা। ই সেইবোৰ পদক্ষেপৰ কথা আঙুলিয়াই দিয়ে যিবোৰ ল'ব পৰা যায় কিছুমান গোচৰত অভিযোগ পঞ্জীয়ন কৰিবলৈ বিলম্ব ঘটোৱা বা অস্বীকাৰ কৰা পুলিচক জবাবদিহি কৰিবলৈ।

Hanns Seidel Foundation

**হেন্স ছেইডেল ফাউণ্ডেশ্বন**
4/6, চিৰি ফ'ৰ্ট ইন্সটিটিউশ্বনেল এৰিয়া
নতুন দিল্লী-110049, ভাৰত
**ফোন:** +91-11-41680400
**ইমেইল:** delhi@hss.de
**ৱেব:** https://india.hss.de/

CHRI

**কমনৱেলথ হিউমেন ৰাইটছ ইনিচিয়েটিভ**
55A, তৃতীয় মহলা, সিদ্ধাৰ্থ চেম্বাৰ্ছ-1, কালু চাৰাই, নতুন দিল্লী-110 017, ভাৰত
**টেলিফোন:** +91 11 4318 0200, **ফেক্স:** +91 11 4318 0217, **ই-মেইল:** info@humanrightsinitiative.org

www.humanrightsinitiative.org CHRI_INT